বুনিয়াদী বিদ্যালয়ৰ

পাঠ্যক্ৰম ।

বুনিয়াদী শিল্প আৰু সাধাৰণ শিক্ষা

(প্ৰথম বৰ্গৰ পৰা অষ্টম বৰ্গলৈ)

প্ৰথম তাঙৰণ

LIBRARY

প্ৰকাশক—

অসমৰ বুনিয়াদী শিক্ষাৰ উপদেষ্টা সমিতিৰ হকে
স্পেচিয়েল অফিচাৰ, বেছিক এডুকেছন,
অসম, গুৱাহাটী ।

বেচ ।/০ অনা

অনুবাদক—

শ্ৰীতাৰিণী চৰণ দাস, বি-এ

গুৱাহাটী পূৰ্ব্বজ্যোতি প্ৰেছত শ্ৰীকালিৰাম দাসৰ দ্বাৰা মুদ্ৰিত।

সূচী

১।	সময়ৰ সাধাৰণ নিৰ্দ্ধাৰণ		...	১
২।	সূতা কটা আৰু বয়ন	...	...	৩
৩।	বাগিচা আৰু কৃষি	...	...	১৮
৪।	মাতৃ ভাষা	...	...	৩৯
৫।	সমাজ বিজ্ঞান	...	...	৪৩
৬।	গণিত	...	...	৭৪
৭।	সাধাৰণ বিজ্ঞাণ	...	...	৭৯
৮।	চিত্ৰ কলা	...	...	৮৪
৯।	সঙ্গীত আৰু নৃত্য	...	...	৯১
১০।	হিন্দী	...	...	৯৪

CENTRAL LIBRARY
ASSAM

বুনিয়াদী বিদ্যালয়ৰ
পাঠ্যক্ৰম

সময়ৰ সাধাৰণ নিৰ্দ্ধাৰণ

বুনিয়াদী বিদ্যালয়ত বিভিন্ন বিষয়ত দিব লগা সময়ৰ মোটা-মুটি হিচাপ তলত দিয়া হ'ল।

বিষয় ঃ—	সময় ঃ—
শিল্পৰ কাম—	প্ৰথম বৰ্গৰ পৰা তৃতীয় বৰ্গলৈ প্ৰতিদিন $1\frac{1}{2}$ ঘণ্টা।
	চতুৰ্থ আৰু পঞ্চম বৰ্গত প্ৰতিদিন ২ ঘণ্টা।
	ষষ্ঠ বৰ্গৰ পৰা অষ্টম বৰ্গলৈ প্ৰতিদিন ৩ ঘণ্টা।

মাতৃভাষা··· ··· ··· ··· প্ৰতিদিন ৪০ মিনিট।
সমাজ বিজ্ঞান আৰু সাধাৰণ বিজ্ঞান···প্ৰতিদিন ৬০ মিনিট।
গণিত··· ··· ··· ··· ··· প্ৰতিদিন ৩০ মিনিট।
চিত্ৰকলা ··· ··· ··· ··· প্ৰতিদিন ৩০ মিনিট।
শাৰীৰিক ব্যায়াম ··· ··· প্ৰতিদিন ২০ মিনিট।

ওপৰত দেখুওৱা কোনো এটা বিষয়ৰ সময় নিতৌ তাৰ বাবে সেই নিৰিখে দিব নালাগে; কিন্তু গোটেই সপ্তাহটোৰ ভিতৰত গড়ে নিতৌ এই খিনি সময় দিবলৈ লক্ষ্য ৰাখিব লাগে। যেনে, সমাজ বিজ্ঞান আৰু সাধাৰণ বিজ্ঞানৰ বাবে সপ্তাহটোত ৪০ মিনিটৰ ৯ পিৰিয়দ থাকিলে নিতৌ গড়ে ৬০ মিনিটকৈ হব।

শিল্পৰ কাৰণে নিৰ্দ্ধাৰিত সময় খিনি যে প্ৰকৃত কামৰ কাৰণেই লাগিব এনেকুৱা নুবুজায়; শিক্ষক আৰু ছাত্ৰৰ দ্বাৰা কামৰ পৰিকল্পনা, সমন্বিত জ্ঞান (Correlation) শিক্ষাৰ উদ্দেশ্যে শিল্প কামৰ ভিতৰত অৱতাৰণা কৰা অন্যান্য মনোৰঞ্জক আৰু অন্যান্য বিষয়ত দিয়া সময়ো তাৰ ভিতৰত পৰিব।

সাধাৰণতে শিল্পৰ গোটেই কাম খিনি একেৰাহে বা একে বাৰতে হব নালাগে; কিন্তু এবাৰৰ নিম্নতম সময় ৩০ মিনিটৰ কম হব নালাগে।

লৰা ছোৱালীবোৰক সাধাৰণতে এটা শিল্পৰ জৰিয়তে শিক্ষা দিব লাগে; কিন্তু পৰিবৰ্ত্তনৰ নিমিত্তে আৰু আনুষঙ্গিক কাম হিচাপে অন্যান্য শিল্পৰ লগতো সিহঁতৰ পৰিচয় হব লাগে। যেনে, বুনিয়াদী বিদ্যালয়ৰ সকলো লৰা ছোৱালীয়ে সাধাৰণ বাগিচাৰ

কাম কৰিব লাগে, বিশেষকৈ যেতিয়া বিদ্যালয়বোৰ গাৱঁৰ মাজত অৱস্থিত।

শাৰীৰিক ব্যায়ামৰ কাৰণে ধৰা সময়ৰ উপৰিও অৱস্থা অনু-সৰি বিদ্যালয়ৰ সময়ৰ ভিতৰত নাইবা বাহিৰত সু-সংবদ্ধ খেলৰ ব্যৱস্থা থাকিব পাৰে; কিন্তু এইবোৰত ক্লান্তিৰ বিষয়টোও বিবেচিত হব লাগে। গতিকে শাৰীৰিক শিক্ষা সাধাৰণতে বিদ্যালয়ৰ সময়ৰ আগ ভাগতে হোৱা আৱশ্যক।

সূতা কটা আৰু বয়ন

—প্ৰথম বৰ্গ—

যি ঠাইত কপাহৰ খেতি হয় তাত লৰা-ছোৱালীয়ে শিক্ষকৰ সহায়ত কপাহ ধুনা কাম বাদ দি কপাহ তোলাৰ পৰা কাপোৰ বোৱাৰ প্ৰাথমিক প্ৰক্ৰিয়ালৈ যাবতীয় কাম কৰিব। কপাহ ধুনা কাম বুনিয়াদী বিদ্যালয়ৰ বয়সস্থ লৰা ছোৱালীয়েহে কৰিব।

কাৰ্য্য প্ৰণালী—

(১) কপাহ তোলা, হাতৰ আঙুলি আৰু শলা নেওঠনীৰে কপাহৰ গুটি গুচোৱা।

(২) কপাহৰ খেতি নোহোৱা ঠাইত লৰা ছোৱালীয়ে

কপাহ তোলা আৰু গুটি গুচোৱাৰ পৰিবৰ্ত্তে কপাহ চাফ কৰিব আৰু ধুনিবলৈ কপাহ প্ৰস্তুত কৰিব।

(৩) ধুনা কপাহ আৰু হাতৰ আঙুলিৰে চন্দিওৱা কপাহৰ পাঁজি তৈয়াৰ কৰা।

(৪) টাকুৰীৰে সূতা কটা।

(৫) সূতা মেৰিওৱা।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্য দিন··· ··· ··· ··· ··· ২০০

শিল্প কামৰ সময়ৰ গড় ·· ··· ··· প্ৰতিদিন ১½ ঘণ্টা

{ সূতা কটাৰ কাৰণে ১ ঘণ্টা
অন্যান্য প্ৰক্ৰিয়াৰ কাৰণে ½ ঘণ্টা }

কামৰ মুঠ ঘণ্টা··· ··· ··· ৩০০

নিম্নতম উৎপাদনৰ গড়··· ··· এ ঘণ্টাত ৪০ টাঁৰ

বাৰ্ষিক উৎপাদন ··· ··· ··· শিশুই প্ৰতি ১২½ নেছা

(পকোৱা সূতা ৬ নেছাৰ সমান)

সূতাৰ হবলগীয়া গুণ—

সূতাৰ নম্বৰৰ গড়	···	৮—১০
দৃঢ়তা···	··· ···	শতকৰা ৬০
সমানতা	··· ···	,, ৬০
অপচয়	··· ···	,, ৫

প্ৰথম বছৰত লৰা-ছোৱালীয়ে সূতাৰ পৰিমাণতকৈ বৰং গুণৰ ফালেহে বেচি মনোযোগ দিব লাগে। সূতাৰ দৃঢ়তা আৰু সমানতাৰ ফালে বিশেষ মনোযোগ দিব লাগে।

শিল্প কামৰ সমন্বিত জ্ঞান—

(ক) কপাহ ৰোৱাৰে পৰা কাপোৰ বোৱাৰ সমাপ্তিলৈকে বস্ত্ৰ উৎপাদন সম্বন্ধীয় সকলোবোৰ প্ৰক্ৰিয়াৰে সৈতে পৰিচয়।

(খ) কটা সূতা গণিবলৈ আৰু যোগ কৰিবলৈ সক্ষম হোৱা।

(গ) টাকুৰী ভাল নে বেয়া চিনা আৰু দেশীয় উপায়ে টাকুৰী তৈয়াৰ কৰা।

(ঘ) ভাল সূতা চিনি পোৱা।

—দ্বিতীয় বৰ্গ—

সাধাৰণতে এই বৰ্গতো প্ৰথম বৰ্গৰ নিচিনাই কামৰ তালিকা হব। কিন্তু এই বৰ্গত কাৰ্য্য দক্ষতাৰ মান আৰু বিভিন্ন প্ৰক্ৰিয়াৰ কাৰণ আৰু উদ্দেশ্য বিষয়ে বোধ বেচি ওখ ধৰণৰ হোৱা বাঞ্ছনীয়।

১। কপাহ নেওঠা— (ক) শলা নেওঠনী।
(খ) হাতেৰে চন্দিওৱা।

২। কপাহ ধুনা—

আৱশ্যকীয় শাৰীৰিক বৃদ্ধিৰ পিচতহে শিশুক কপাহ ধুনিবলৈ দিব লাগে। বয়স আৰু বৰ্গ অনুযায়ী নহয়। যদি শিশুৱে আৱশ্যকীয় শাৰীৰিক শক্তি লাভ কৰিব পাৰিছে, তেনেহলে দ্বিতীয় বৰ্গৰ শেষ ভাগত সৰু, পাতল ধনু (হাত-ধনু) দিব পৰা যায়।

কামৰ নিৰ্দ্ধাৰিত গড় হিচাপ············এঘণ্টাত এক তোলা।

৩। সূতা কটা—

সাধাৰণতে লৰা ছোৱালীয়ে সূতা কাটিবলৈ টাকুৰী ব্যৱহাৰ কৰিব লাগে। যদি কোনো লৰা বা ছোৱালীৰ উপযুক্ত ভাবে শাৰীৰিক বৃদ্ধি হৈছে তেনেহলে সেই লৰা বা ছোৱালীক দ্বিতীয় বছৰৰ শেষ ভাগত যঁতৰ ব্যৱহাৰ কৰিবলৈ দিব পৰা যায়। এই বৰ্গত বাওঁ হাতেৰেও টাকুৰীৰে সূতা কটা অভ্যাস কৰিব লাগে আৰু প্ৰথম ভাগতে দ্ৰুত গতিৰে সূতা কটা প্ৰণালী শিকোৱা উচিত।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্যদিন··· ২০০

শিল্প কামৰ সময়ৰ গড়··· প্ৰতিদিন ১½ ঘণ্টা।

কামৰ মুঠ ঘণ্টা···	৩০০
নিম্নতম উৎপাদনৰ গড়···	১২½ নেছা বা গুণ্ডী।
বছৰৰ শেষত হবলগীয়া··· দক্ষতাৰ মান	টাকুৰীত এঘণ্টাত ৮০ টাঁৰ।

সূতাৰ আৱশ্যকীয় গুণ—

সূতাৰ নম্বৰৰ গড়—	১০ ৰ পৰা ১২ লৈ
ন্যূনতম দৃঢ়তা ···	শতকৰা ৬০
সমানতা···	,, ৬০
উচ্চতম অপব্যয় ··	,, ৫

টোকা :—

শিক্ষকে ছাত্ৰৰ সূতাৰ দৃঢ়তা, সমানতাৰ পিনে আৰু প্ৰক্ৰিয়াবোৰ বুদ্ধি খটাই বুজি লোৱাৰ পিনে বিশেষ মনোযোগ দিব লাগিব। এই বৰ্গৰ পৰাই লৰা ছোৱালীয়ে শিল্প কামৰ দৈনিক বিৱৰণ লিখি ৰাখিব পৰা হব লাগে।

—তৃতীয় বৰ্গ—

য'ত কপাহৰ খেতি হয় তাত লৰা ছোৱালীয়ে কপাহ তোলাৰ পৰা কাপোৰ বোৱাৰ প্ৰাথমিক প্ৰক্ৰিয়ালৈ সকলোবোৰ

প্ৰণালী বুদ্ধি খটাই অভ্যাস কৰিব। য'ত কপাহৰ খেতি নহয় তাত দ্বিতীয় বৰ্গৰ নিচিনাকৈ কপাহৰ গুটি গুচোৱা, ধুনিবলৈ কপাহ তৈয়াৰ কৰা আদি কামেৰে শিল্পৰ কাম আৰম্ভ হব। এই বৰ্গৰ লৰা ছোৱালীয়ে সৰু ধনুৰে কপাহ ধুনিবলৈ আৰম্ভ কৰিব পাৰে; কিন্তু এই বিষয়ে উপযুক্ততা নিৰুপণ কৰিব ছাত্ৰৰ বৰ্গই নহয়, তাৰ দৈহিক বৃদ্ধিয়েহে। স্থানীয় ভাৱে পোৱা যায় এনে যি কোনো যুঁতৰ নাইবা য়াৰবেদা চৰ্খাই এই বৰ্গৰ সূতা কটাৰ প্ৰধান আহিলা হব। টাকুৰীত অন্ততঃ আধাঘণ্টাকৈ সূতা কাটি লৰা ছোৱালীয়ে টাকুৰীত কটাৰ দক্ষতা লাভ কৰিব পাৰিব।

এই বৰ্গৰ লৰা ছোৱালীয়ে নিজ নিজ শিল্প কামৰ দৈনিক, সাপ্তাহিক আৰু মাহিলি হিচাব (ৰেকৰ্ড) লিখি ৰাখিব। বছৰৰ শেষৰ পিনে সিহঁতে সূতাৰ নম্বৰ উলিয়াবলৈ সমৰ্থ হব লাগিব।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্যদিন···	২০০
শিল্প কামৰ সময়ৰ গড় ··	প্ৰতিদিন ১½ ঘণ্টা।
কামৰ মুঠ ঘণ্টা···	৩০০
ন্যূনতম উৎপাদনৰ গড়···	৩৫ নেছা বা গুণ্ডী।
বছৰৰ শেষত পাবলগীয়া··· দক্ষতাৰ মান	কপাহ ধুনা—সৰু ধনুৰে প্ৰতি ঘণ্টাত ২½ তোলা।

টাকুৰীত সূতা কটা— প্ৰতি
ঘণ্টাত ৬০ টাঁৰ
যঁতৰত সূতা কটা— প্ৰতি
ঘণ্টাত ১০০ টাঁৰ।

সূতাৰ আৱশ্যকীয় গুণ—

সমানতা...	শতকৰা	৭০
ন্যূনতম দৃঢ়তা...	,,	৬০
উচ্চতম অপব্যয়...	,,	৪

শিল্প কাম সম্বন্ধে আৱশ্যকীয় সমন্বিত জ্ঞান—

১। ঠিক মতে ধুনা কপাহ চিনি পোৱা।

২। সূতাৰ নম্বৰ উলিওৱা।

৩। যঁতৰৰ বেলেগ বেলেগ অংশবোৰ আৰু সেইবোৰৰ কাম সম্বন্ধীয় জ্ঞান।

৪। কপাহ ধুনা ধনুৰ বেলেগ বেলেগ অংশবোৰ আৰু সেইবোৰৰ কাম সম্বন্ধে জ্ঞান।

—চতুৰ্থ বৰ্গ—

য'ত কপাহৰ খেতি হয় তাত লৰা ছোৱালীয়ে কপাহ তোলাৰ পৰা কাপোৰ বোৱাৰ প্ৰাথমিক প্ৰক্ৰিয়ালৈ সকলোবোৰ কথা শিকিব।

১। কপাহৰ গুটি গুচোৱা :—

দ্বিতীয় আৰু তৃতীয় বৰ্গৰ অনুৰূপ।

২। কপাহ ধুনা :—

সৰু ধনুৰে আৰু যুদ্ধ পিঞ্জন,
নাইবা মধ্যম পিঞ্জনেৰে (ধনুৰে)

৩। সূতা কটা :—

স্থানীয় হিচাবে পাব পৰা স্থানীয় যঁতৰত
নাইবা য়াৰবেদা চৰ্খাত।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্যদিন···	২০০
কামৰ সময়ৰ গড় হিচাব ··	যঁতৰ আৰু টাকুৰীৰে দৈনিক ১ ঘণ্টা।

আনুষঙ্গিক প্ৰক্ৰিয়াবোৰ, যেনে—কপাহ নেওঠা, কপাহ ধুনা, সৰঞ্জামবোৰ ব্যৱহাৰৰ উপযোগী কৰা আৰু মাল তৈয়াৰ কৰা ইত্যাদিত ১ ঘণ্টা। (মুঠ দৈনিক ২ ঘণ্টা)

কামৰ মুঠ ঘণ্টা···	৪০০
নিম্নতম উৎপাদনৰ গড়···	৪৫ নেছা বা গুণ্ডী।
বছৰৰ শেষত পাবলগীয়া··· দক্ষতাৰ মান	কপাহ ধুনা— যুদ্ধ পিঞ্জনেৰে (ধনুৰে) প্ৰতি ঘণ্টাত ৩½ তোলা, মধ্যম ধনুৰে প্ৰতি ঘণ্টাত ৫ তোলা।

সূতাৰ আৱশ্যকীয় গুণ—

নম্বৰৰ গুণ···	১৬ ৰ পৰা ২০ লৈ।
দৃঢ়তা···	শতকৰা ৬০
সমানতা···	" ৬০

বস্ত্ৰ স্বাৱলম্বন—

এই বৰ্গৰ পৰা ওপৰলৈ লৰা ছোৱালীয়ে নিজৰ কাপোৰৰ বাবে আৱশ্যকীয় সূতা কাটিব পাৰিব লাগিব আৰু শিক্ষকৰ সহায়ত সিহঁতে নিজৰ পোছাক হাতেৰে মেৰামতি আৰু সিলাই কৰিবলৈ সমৰ্থ হব লাগিব।

শিল্প কাম সম্বন্ধে আৱশ্যকীয় সমন্বিত জ্ঞান—

(ক) সূতাৰ নম্বৰ উলিওৱা।

(খ) দৈনিক, সাপ্তাহিক আৰু মাহিলি, হিচাপ (ৰেকৰ্ড) ৰখা (ব্যক্তিগত আৰু গোটেই বৰ্গৰ)।

(গ) বৰ্গৰ গতিৰ গড় আৰু নম্বৰৰ গড় উলিওৱা।

(ঘ) ব্যক্তিগত আৰু গোটেই বৰ্গৰ সূতা কটাৰ গতিৰ ৰেখা চিত্ৰ (গ্ৰাফ্) প্ৰস্তুত কৰা।

(ঙ) অসমৰ কপাহৰ ভূগোল সম্বন্ধে সবিশেষ জ্ঞানেৰে সৈতে ভাৰতৰ কপাহৰ ভূগোল বিষয়ে প্ৰাথমিক জ্ঞান।

—পঞ্চম বৰ্গ—

য'ত কপাহৰ খেতি হয় তাত লৰা ছোৱালীয়ে কপাহ তোলাৰ পৰা বয়নলৈ সকলোবোৰ প্ৰক্ৰিয়া শিকিব। যেনে ঃ-

১। কপাহ তোলা।

২। এবছৰৰ কামৰ বাবে কপাহ নাইবা গুটি গুচোৱা কপাহ সঞ্চয় কৰা।

৩। কপাহৰ গুটি গুচোৱা।

(ক) শলা নেওঠনীৰে।

(খ) হাত নেওঠনীৰে।

৪। কপাহ চন্দিওৱা।

৫। কপাহ ধুনা— কামৰ মান হব গড়ে এঘণ্টাত ৫ তোলা ধুনা।

৬। সূতা কটা—

(ক) স্থানীয় যঁতৰ নাইবা য়াৰবেদা চৰ্খাৰে ।

গড় হিচাবে হবলগীয়া কামৰ মান—

গতি— প্ৰতি ঘণ্টাত— ২০০ টাঁৰ

নম্বৰ— ১৬ ৰ পৰা ৩০ লৈ ।

(খ) মিহি সূতা কটা— অন্ধ্ৰ পদ্ধতি মতে কপাহ প্ৰস্তুত কৰি ।

গড় হিচাবে হব লগীয়া কামৰ মান—

গতি— প্ৰতি ঘণ্টাত ১০০ টাঁৰ ।

৭। বয়নৰ আৰম্ভণ ।

৮। সৰু আৰু ডাঙৰ মাল তৈয়াৰ কৰা ।

৯। গোটেই বিদ্যালয়ৰ কাৰণে শিল্পৰ সৰঞ্জাম আৰু বয়-বস্তুৰ ভঁৰাল ৰখা ।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্যদিন···	২০০
শিল্প কামৰ সময়ৰ গড় ·· ··· ···· হিচাব	টাকুৰী আৰু যতঁৰেৰে ১ ঘণ্টা। কপাহ ধুনা আৰু অন্যান্য প্ৰক্ৰিয়াৰ কাৰণে ১ ঘণ্টা মুঠতে দৈনিক ২ ঘণ্টা ।
কামৰ মুঠ ঘণ্টা...	৪০০

বছৰৰ উৎপাদন .. ..যতঁৰেৰে ৬০নেছা বা গুণ্ডী

টোকা—

যি বোৰ বিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকে নিজকে জোৰাকৈ কাপোৰ উৎপাদন কৰি স্বাৱলম্বী হোৱাটোকে লক্ষ্য কৰি লয় সি বোৰত পঢ়াশলীয়া সময়ৰ বাহিৰেও এ ঘণ্টাকৈ সূতা কাটিলে প্ৰত্যেকেই বছৰটোত অন্ততঃ অতিৰিক্ত ৭৫ নেছা সূতা পাব পাৰিব ।

বস্ত্ৰ স্বাৱলম্বন—

(ক) নিজৰ আৰু পৰিয়াল বৰ্গৰ আৱশ্যকীয় বস্ত্ৰৰ আনুমানিক হিচাপ তৈয়াৰ কৰা ।

(খ) নিজৰ বাবে এবছৰৰ পোছাকৰ কাৰণে সূতা কটা।

(গ) গাৱঁৰ কাৰণে আৱশ্যকীয় বস্ত্ৰৰ আনুমানিক হিচাপ তৈয়াৰ কৰা ।

(ঘ) গাঁৱৰ বস্ত্ৰ স্বাৱলম্বনৰ কাৰ্য্যক্ৰমত সহায় কৰা ।

শিল্প কাম সম্বন্ধীয় আৱশ্যকীয় সমন্বিত জ্ঞান—

(ক) সূতাৰ নম্বৰ, দৃঢ়তা আৰু সমানতা ঠিক কৰা ।

(খ) বৰ্গ আৰু গোটেই স্কুলৰ কাৰণে শিল্প কামৰ দৈনিক, সাপ্তাহিক আৰু মাহিলি হিচাব লিখি ৰখা ।

(গ) বিভিন্ন প্ৰকাৰৰ যতঁৰ, কপাহ ধুনা ধনু আৰু

নেওঠা সৰঞ্জামবোৰৰ তুলনামূলক পৰ্য্যালোচনা কৰা।

(ঘ) নিজ ৰাজ্য, দেশ আৰু পৃথিৱীৰ কপাহৰ বিষয়ে অধ্যয়ন কৰা।

(ঙ) বিভিন্ন প্ৰকাৰ কপাহৰ অধ্যয়ন আৰু কোন কপাহৰ পৰা কিমান সূতা কাটিব পৰা যায় তাৰ হিচাপ নিৰুপণ কৰা।

(চ) দৰকাৰী হিচাপ—যেনে অপব্যয়ৰ শতকৰা হাৰ ইত্যাদি।

(ছ) নেওঠা, ধুনা আৰু কটাৰ যন্ত্ৰ সম্বন্ধীয় জ্ঞান।

(জ) বয়ন সংক্ৰান্ত সৰল হিচাপ।

(ঝ) আদিম কালৰ পৰা বৰ্ত্তমান সময়লৈকে ভাৰতৰ বয়ন শিল্প আৰু খাদী শিল্পৰ ইতিহাস।

—ষষ্ঠ বৰ্গ—

যত কপাহৰ খেতি কৰিব পৰা যায় তাত ছাত্ৰ ছাত্ৰীয়ে শিক্ষকৰ সহায়ত পৰিবাৰবৰ্গক আৰু গাওঁক বস্ত্ৰ যোগান সম্বন্ধে স্বাৱলম্বী কৰা ভাবধাৰাৰে সৈতে কপাহ তোলাৰ পৰা বয়নলৈ সকলোবোৰ প্ৰক্ৰিয়া শিকিব।

প্ৰক্ৰিয়া বোৰ—

(ক) প্ৰথম বৰ্গৰ পৰা পঞ্চম বৰ্গলৈ দিয়া কামৰ অনুবৃত্তি। দৈনিক আধাঘণ্টাকৈ যতঁৰেৰে সূতা কাটিব।

(খ) সূতাৰ শ্ৰেণী বিভাগ।

(গ) সূতা ছুডলীয়াকৈ পকোৱা।

(ঘ) সূতা মেৰিওৱা।

(ঙ) েৰেকীত সূতা লোৱা।

(চ) সূতাৰ মূৰ জোৰা লগোৱা।

(ছ) পুৰণি প্ৰণালীৰে বাতি কঢ়া অৰ্থাৎ খোজ কাঢ়ি আৰু ড্ৰাম প্ৰণালী।

(জ) বিস্তাৰ আৰু বিভাগ কৰা।

(ঝ) আয়তন বা আকাৰ অনুযায়ী সজোৱা।

(ঞ) ডবল বয়ন।

(ট) তাঁত শাল ব্যৱহাৰৰ উপযোগী কৰা।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্যদিন ·· ২০০

শিল্প কামৰ সময়ৰ গড়হিচাপ··· ... প্ৰতিদিন ৩ ঘণ্টা।

কামৰ মুঠ ঘণ্টা ৬০০

ন্যূনতম উৎপাদনৰ গড়... ... ৪০ নেছা বা গুণ্ডী।

(দৈনিক এঘণ্টাত ২৫০ টাঁৰ হিচাপে)

বছৰেকীয়া উৎপাদন.... ... ৬০ গজ সাধা কাপোৰ।

—সপ্তম বৰ্গ—

ষষ্ঠ বৰ্গৰ কামৰ অনুবৃত্তি।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্যদিন	ষষ্ঠ বৰ্গৰ অনুৰূপ।
শিল্প কামৰ সময়ৰ গড় হিচাপ ..	ষষ্ঠ বৰ্গৰ অনুৰূপ।
বছৰৰ উৎপাদনৰ গড় হিচাপ....	ষষ্ঠ বৰ্গৰ অনুৰূপ। (সাধা আৰু চিত্ৰিত দুয়ো বিধ)

—অষ্টম বৰ্গ—

ষষ্ঠ বৰ্গৰ কামৰ অনুবৃত্তি আৰু কাপোৰ ৰং কৰা।

কামৰ নিৰ্দ্ধাৰিত মান—

কাৰ্য্যদিন	সপ্তম বৰ্গৰ অনুৰূপ।
শিল্প কামৰ সময়ৰ গড় হিচাপ ..	সপ্তম বৰ্গৰ অনুৰূপ।
বছৰৰ উৎপাদনৰ গড় হিচাপ ...	৪০ গজ সৰল বয়নৰ সাধা আৰু ডিজাইন থকা কাপোৰ। ৬০ গজ ডবল বয়নৰ উন্নত ধৰণৰ ডিজাইন থকা কাপোৰ।

গতি... .... ৩ ঘণ্টাত ১½ গজ সৰল বয়নৰ কাপোৰ।
৩ ঘণ্টাত ৩½ গজ ডবল বয়নৰ কাপোৰ ।

বাগিচা আৰু কৃষি

প্ৰথম পাঁচ বছৰত নিৰীক্ষণেই শিক্ষাৰ প্ৰধান মাধ্যম হব, আৰু নিম্নলিখিত বিশদ বৰ্ণনাৰ প্ৰয়োগ সকলো বৰ্গতে হব। অৱশ্যে উচ্চ বৰ্গবোৰৰ কাৰণে নিৰীক্ষণ উন্নত ধৰণৰ হব লাগিব ।

—প্ৰথম বৰ্গ—

এই বৰ্গৰ নিৰীক্ষণেই প্ৰধান কাম ।

প্ৰথম আৰু দ্বিতীয় বৰ্গৰ কাৰণে একো ডোখৰ পূৰ্ব্ব প্ৰস্তুত মাটি দিয়া হব ।

নিৰীক্ষণ—

বহিৰ্ভ্ৰমণ—

১। নিজ ঠাইৰ চাৰিওফালে বেৰি থকা ঠাইত, বিশেষকৈ সৌন্দৰ্য্যপূৰ্ণ আৰু চিত্তাকৰ্ষক ঠাইবোৰত ভ্ৰমণ ।

(ক) প্ৰাকৃতিক দৃশ্যৰ সৌন্দৰ্য্য ভাল পোৱা আৰু তাৰ মোল বুজা ।

(খ) গাৱঁলীয়া অঞ্চলৰ সাধাৰণ সংস্থাপন, তাৰ আওগৰীয়া ঠাই আৰু বৰষুণত হোৱা মাটিৰ স্থানান্তৰ ইত্যাদিবোৰ নিৰীক্ষণ ।

২। **স্থানীয় বজাৰ চোৱা—**

(ক) স্থানীয় ভাবে গাৱঁত কি কি আৱশ্যকীয় শাক পাচলি আৰু শস্য উৎপন্ন হয় আৰু কোন কোন বিধৰ বাহিৰৰ পৰা আমদানী হয় সেই বিষয়ে জানি বুজি লোৱা ।

(খ) ভিন্ন ভিন্ন ঋতুত হোৱা ভিন্ ভিন্ প্ৰকাৰৰ ফল, শাক পাচলি আদিৰ বিষয়ে জনা ।

৩। **গাৱঁলীয়া পথাৰ আৰু বাগিচা পৰিদৰ্শন—**

(ক) কাম কৰা অৱস্থাত খেতিয়কক নিৰীক্ষণ ।

(খ) বেলেগ বেলেগ ঋতুত হোৱা ফল, ফুল আৰু শাক পাচলিৰ নিৰীক্ষণ ।

(গ) ভিন্ ভিন্ অৱস্থাত হোৱা শস্যবোৰৰ তুলনা কৰা, যেনে—অৱস্থিতি অনুসাৰে পানী, বতাহ, ৰ'দ আদিৰ তাৰতম্য ।

(ঘ) ঘাঁহ-বন আৰু শস্যৰ বৃদ্ধিৰ ওপৰত তাৰ প্ৰভাৱ নিৰীক্ষণ কৰা ।

(ঙ) শস্যৰ ওপৰত পৰা চৰাই, কীটপতঙ্গ আদি নিৰীক্ষণ কৰা।

৪। **স্কুলৰ বাগিচা আদিৰ নিৰীক্ষণ—**

বিদ্যালয়ত বাগিচাৰ মাটিত আৰু পাত্ৰত গজা পুলিৰ অঙ্কুৰোদ্গম, বৃদ্ধি, ফুল ধৰা আৰু ফল ধৰা নিৰীক্ষণ কৰা।

(ক) বিভিন্ন অৱস্থাত, যেনে পানীৰ পৰিমাণ, বায়ু, ৰ'দ, বতাহৰ চলাচল আদিৰ পাৰ্থক্যত গছপুলিবোৰৰ বৃদ্ধি ৰিজাই চোৱা।

(খ) ঘাঁহ বনৰ নিৰীক্ষণ আৰু গছপুলিৰ বৰ্দ্ধনত তাৰ প্ৰভাৱ।

(গ) শস্যৰ ওপৰত পৰা চৰাই, কীট পতঙ্গৰ নিৰীক্ষণ।

টোকা—

সম্ভৱ হলে ছাত্ৰ ছাত্ৰীয়ে গৈ প্ৰদৰ্শন মূলক খেতি পথাৰ বোৰ চোৱা উচিত আৰু সেইবোৰত অনুসৰণ কৰা পদ্ধতি আৰু ফলাফলবোৰ গাৱঁলীয়াৰ খেতি পথাৰ আৰু বাগিচা বোৰৰ সৈতে তুলনা কৰি চোৱা উচিত।

ব্যৱহাৰিক—

১। পাত্ৰত গুটি সিঁচা—

(ক) পাত্ৰ প্ৰস্তুত কৰা।

(খ) গুটি সিঁচা।

(গ) লেবেল লগোৱা (নাম লিখা কাগজ লগোৱা)

২। পানী দিয়া—

(ক) পানী দিয়াৰ সময়।

(খ) পানী দিয়াৰ প্ৰণালী, (মাত্ৰ সাধাৰণ প্ৰণালী)।

৩। মাটি সেমেকা কৰি ৰাখিবলৈ আৰু পুলিবোৰ ৰক্ষা কৰিবলৈ আধা-পচা ঘাঁহ, খেৰ, পাত আদিৰ ব্যৱহাৰ।

(ক) ওপৰত লিখা ব্যৱস্থা কেতিয়া আৰু কেনেকৈ কৰিব লাগে।

(খ) তাৰ ব্যৱহাৰ আৰু আৱশ্যকতা।

৪। বন গুচোৱা—

(ক) কেতিয়া আৰু কেনেকৈ গুচাব লাগে।

(খ) কেতিয়া আৰু কেনেকৈ বনবোৰ কামত লগাব লাগে। (পচন আৰু সেউজীয়া সাৰত)

৫। আহিলা পাতিৰ তত্ত্বাৱধান—

(ক) কামৰ পিচত আহিলা-পাতি পৰিষ্কাৰ কৰা।

(খ) আহিলা-পাতিৰ সাধাৰণ তত্ত্বাৱধান, সৰঞ্জাম ৰখা ঘৰ পৰিষ্কাৰ ভাবে ৰখা।

সৈদ্ধান্তিক (Theoretical) শিক্ষা—

১। নিৰীক্ষণ আৰু কৰা কামৰ মৌখিক বৰ্ণনা (ৰিপৰ্ট)

২। গছৰ ভিন্ন ভিন্ন অংশ চিনা, যেনে মূল, শিপা, গা, গছ, পাত, ফুল, ফল।

৩। পশু, পক্ষী, গছ গছনি আদিৰ বিষয়ে গল্প আৰু গীত।

—দ্বিতীয় বৰ্গ—

নিৰীক্ষণ—

প্ৰথম বৰ্গৰ অনুৰূপ; কিন্তু অধিক বিস্তৃত ভাবে নিৰীক্ষণ কৰিব লাগিব।

ব্যৱহাৰিক—

১। বাকচ আৰু পাত্ৰত গুটি সিঁচা—

(ক) শাৰী শাৰীকৈ গুটি সিঁচা।

(খ) ৰং দেখি আৰু স্পৰ্শানুভৱৰ দ্বাৰা গুটিৰ গুণ কোৱা।

(গ) গুটিবোৰৰ পৰা পুৰঠ নোহোৱা, নষ্ট হোৱা গুটি-বোৰ আৰু ময়লাবোৰ গুচোৱা।

২। সাৰ দিয়া—

(ক) শস্যৰ মাটিত আৰু পামৰ চোতালত থকা সাৰৰ ব্যৱহাৰ।

(খ) সাৰ দিয়া মাটিত আৰু সাৰ নিদিয়া মাটিত পৰীক্ষা চলোৱা আৰু দুয়ো ক্ষেত্ৰতে ফলাফল নিৰীক্ষণ কৰা।

৩। বন গুচোৱা—

(ক) বন গুচোৱাত সতৰ্কতা।

(খ) সাৰৰ গাঁতত বনবোৰ পেলোৱা।

(গ) এবিধ বা দুবিধ সাধাৰণ বন আৰু সিবোৰৰ কেনেকৈ প্ৰসাৰ বৃদ্ধি হয় তাক অধ্যয়ন কৰা।

(১) গুটি।

(২) মাটিৰ তলৰ শিপা।

৪। মাটি সেমেকা কৰি ৰাখিবলৈ আৰু পুলিবোৰ ৰক্ষা কৰিবলৈ আধা পচা ঘাঁহ, খেৰ, পাত আদিৰ ব্যৱহাৰ।

৫। পানী দিয়া।

৬। বীজ ক্ষেত্ৰৰ পৰা আন ঠাইত ৰোৱা (স্থানান্তৰণ)।

৭। শস্যৰ অনিষ্টকাৰী পোক দমন কৰা—শস্যৰ মহামাৰী হিচাপে পলুৰ (শূৰ. পোকৰ) প্ৰাথমিক অধ্যয়ন।

৮। গুটি চয়ন আৰু সঞ্চয়।

৯। খাবৰ উপযোগী হোৱা শাক পাচলি বাছি উলিওৱা।

১০। বাগিচা পৰিষ্কাৰ ভাবে ৰখা, সজোৱা আদি বিষয়ে সাধাৰণ সাৱধানতা, সজুঁলিবোৰৰ তত্ত্বাৱধানতা ইত্যাদি।

সৈদ্ধান্তিক শিক্ষা—

১। কামৰ আৰু নিৰীক্ষণৰ সকলো কথাৰ মৌখিক বিৱৰণ।

২। গছৰ অংশবোৰৰ প্ৰাথমিক অধ্যয়ন।

৩। খাদ্য আৰু বস্ত্ৰৰ কাৰণে গছ গছনিৰ ব্যৱহাৰ।

৪। সাৰৰ উৎপত্তি স্থান—

পামৰ ঘৰৰ চোতালৰ সাৰ আৰু বাগিচা চাফ কৰাত জাবৰ জোঁথৰ বোৰ ইত্যাদি।

—তৃতীয় বৰ্গ—

নিৰীক্ষণ—

দ্বিতীয় বৰ্গৰ অনুৰূপ, কিন্তু অধিক বিশদ ভাৱে।

ব্যৱহাৰিক—

১। বগিচাত গুটি সিঁচা।

২। গুটিৰ পৰা গজা পুলিবোৰ আন ঠাইত ৰোৱা।

(ক) কেনেকৈ তুলি আনিব লাগে।

(খ) কিমান ফাঁক ৰাখিব লাগে।

(গ) কেনেকৈ ৰুব লাগে।

(ঘ) কেতিয়া পানী দিব লাগে।

(ঙ) ৰ'দৰ পৰা কেনেকৈ ৰক্ষা কৰিব লাগে।

৩। বন গুচোৱা—

(ক) বাগিচাৰ ঘাঁহ বন চিনা।

(খ) ঘাঁহ বন নিকোৱাত সাৱধানতা।

৪। সাৰ দিয়া—

(ক) বীজ ক্ষেত্ৰত সাৰ দিয়া।

(খ) সাৰৰ গাঁতৰ যত্ন লোৱা। বতাহ লাগিবলৈ লাৰি চাৰি দিয়া। ব্যৱহাৰ কৰিবলৈ সাৰ স্থানান্তৰিত কৰোঁতে সাৱধানতা অৱলম্বন কৰা।

৫। পানী দিয়া—

(ক) বীজ ক্ষেত্ৰত পুলি আৰু মাটিৰ কাৰণে পানী দিয়াত সাৱধানতা।

(খ) বিভিন্ন প্ৰকাৰ পুলিৰ নিমিত্তে আৰু পুলিৰ বৃদ্ধিৰ বিভিন্ন অৱস্থাত পানী দিয়াৰ বিভিন্ন পদ্ধতি।

৬। পোক দমনঃ—

পলুৰ বিষয়ে অধ্যয়ন—

বিদ্যালয়ত পলু পোহা।

৭। শস্য আহৰণ ঃ—

ব্যৱহাৰৰ উপযোগী হোৱা সময়ত শাক পাচলি আহৰণ।

৮। বজাৰত বিক্ৰী কৰা—

বজাৰত বিক্ৰী কৰাৰ কাৰণে শাক পাচলি আৰু ফল মূলবোৰ সাজু কৰা আৰু বিধে বিধে সজোৱা।

সৈদ্ধান্তিক শিক্ষা—

১। নিৰীক্ষণ আৰু কৰা কামৰ বৰ্ণনা লিখা।

২। বাগিচাৰ মাটি আৰু তাৰ কিছুমান উপাদান, যেনে বালি, বোকা, জৈৱ পদাৰ্থ (মৌলেনা বা হিউমাচ) আদি বিষয়ে প্ৰাথমিক অধ্যয়ন।

৩। সাৰৰ কাৰণে ব্যৱহৃত উপাদান বা পদাৰ্থৰ জ্ঞান—

পামৰ ঘৰৰ চোতালৰ সাৰ, বিদ্যালয় আৰু বাগিচাৰ পেলনীয়া বস্তু, জাবৰ-জোঁথৰ আদি।

৪। পানীৰ যোগান, বতাহ, ৰ'দ আৰু ৰক্ষণৰ ফালে লক্ষ্য ৰাখি বীজতলিৰ (নাৰ্চাৰীৰ) কাৰণে স্থান নিৰ্ব্বাচন।

৫। কীট পতঙ্গ অধ্যয়ন—

পলু (শূৰ পোক) তাৰ স্বভাৱ আৰু তাৰ জীৱন চক্ৰ।

—চতুৰ্থ বৰ্গ—

নিৰীক্ষণ—

আগৰ বৰ্গৰ অনুৰূপ; কিন্তু অধিক বিস্তৃত আৰু উন্নত ভাৱে।

ব্যৱহাৰিক—

১। বাগিচাৰ শাক-তলি, ৰাস্তা আৰু ফুলেৰে সীমা ঘেৰা আদিৰ পৰিকল্পনা কৰা।

২। বাগিচাৰ ৰক্ষণাবেক্ষণ, ৰাস্তা জেওৰা ইত্যাদি।

৩। বীজ-ক্ষেত্ৰ তৈয়াৰ কৰা।

৪। ফুল আৰু শাক-পাচলিৰ গুটি সিঁচা।

৫। গুটিৰ পৰা গজা পুলিবোৰৰ যত্ন—

(ক) পানী দিয়া।

(খ) বন গুচোৱা।

(গ) পাতল কৰা।

(ঘ) বীজ-ক্ষেত্ৰৰ পৰা আন ঠাইত ৰোৱা।

(ঙ) ছাঁ দি ৰ'দৰ পৰা আৰু ছাই আদি ছটিয়াই কীট-পতঙ্গৰ পৰা ৰক্ষা কৰা।

৬। গুটি ভিন্ন আন উপায়ে উদ্ভিদৰ বংশ বৃদ্ধি, যেনে আলু কাটি আৰু ডাল কাটি ৰোৱা।

৭। নেমু, সুমথিৰা, অমিতা, মধুৰিআম আদি ফল গছৰ পুলি এঠাইৰ পৰা তুলি নি আন ঠাইত ৰোৱা।

৮। পানী দিয়া—

চাৰিওফালে খাৰৈ খান্দি নাইবা তেনেকুৱা আন সহজ প্ৰণালীৰে।

৯। বন গুচোৱা—

বিভিন্ন উপায়ে বন গুচোৱা - যেনে, ভিন্ ভিন্ খেতিৰ বাবে খুৰপি আৰু কোৰ আদিৰ দ্বাৰা।

১০। বজাৰত বিক্ৰী কৰা—

জোখ আৰু শ্ৰেণী বিভাগ কৰা।

১১। পোক পৰুৱা নিবাৰণ—

সহজ উপায়ে শত্ৰুবোৰ নষ্ট কৰা, যেনে পলু, কীট-পতঙ্গ বোৰ একুৱাই আনি মাৰি পেলোৱা।

সৈদ্ধান্তিক শিক্ষা—

১। নিৰীক্ষণ আৰু কৰা কামৰ বৰ্ণনা (ৰিপৰ্ট) লিখা।

২। ঠাইৰ পৰিমাপ - আৱশ্যকীয় সাৰৰ পৰিমাণ উলিয়াবলৈ ক্ষেত্ৰফল ঠিক কৰা। ৰাস্তাবোৰৰ বাবে কঙ্কৰৰ ব্যৱস্থা কৰা।

৩। মাটি অধ্যয়ন—

(ক) মাটিৰ গঠনৰ প্ৰাথমিক অধ্যয়ন।

(খ) বিভিন্ন প্ৰকাৰৰ মাটিৰ অধ্যয়ন, যেনে বালিমাটি, আলটীয়া মাটি।

(গ) মাটিত সাৰ দিয়াৰ ফলাফলৰ অধ্যয়ন।

৪। ঘাঁহ বনৰ অধ্যয়ন—

(ক) কেনেকৈ ঘাঁহবনে শস্য নষ্ট কৰে।

(খ) ঘাঁহ বন গুচোৱাৰ উপযুক্ত সময়।

(গ) ঘাঁহ বন গোটোৱা আৰু গাঁতত পেলাই দিয়া।

৫। বাগিচাৰ অনিষ্টকাৰী পোক আৰু কীট-পতঙ্গৰ দ্বাৰা শাক পাচলি নষ্ট হবলৈ নিদিয়াৰ সহজ প্ৰণালী অধ্যয়ন।

৬। পানী সিঞ্চন—

চাৰিওফালে খাৰৈ দিয়া নাইবা সাধাৰণ পানী আকৰ্ষক বৈজ্ঞানিক সঁজুলি ব্যৱহাৰ কৰা।

৭। বজাৰত বেচা—

বেচিবলৈ গুণানুসাৰে শাক পাচলি ভাগ ভাগ কৰি উলিওৱা ইত্যাদি।

৮। পুলিৰ পৰ্য্যালোচন—

অধিক বিস্তৃত ভাৱে পুলিৰ অংশবোৰৰ কামৰ অধ্যয়ন।

৯। গুটিত বাহিৰে অন্য উপায়ে গছৰ বংশবৃদ্ধিৰ অধ্যয়ন, যেনে মূল ৰোৱা, কলমৰ ডাল কাটি ৰোৱা।

১০। সঁজুলি বোৰৰ অধ্যয়ন—সি বোৰৰ আকৃতি আৰু কাম।

—পঞ্চম বৰ্গ—

নিৰীক্ষণ—

আগৰ বৰ্গৰ অনুৰূপ; কিন্তু অধিক বিস্তৃত আৰু উন্নত ভাৱে।

ব্যৱহাৰিক—

১। ফুল আৰু শাক পাচলিৰ কাৰণে বাগিচাত বিভিন্ন প্ৰকাৰৰ ভাগ ৰচনা কৰা, মাটি খন্দা, মাটিভঙা, জবকিওৱা, সাৰ দিয়া, ৰুবলৈ ঠাই প্ৰস্তুত কৰা।

২। বীজ-ক্ষেত্ৰ ঠিক কৰা।

৩। সাৰ তৈয়াৰ কৰা—

(ক) পচন সাৰ প্ৰস্তুত কৰা।

(খ) কৃষিৰ মাটিত সাৰ ৰক্ষা কৰা আৰু মলমূত্ৰ মিহলোৱা মাটি আদি ব্যৱহাৰ কৰা।

(গ) মাটিৰ ওপৰত এচাম পচন সাৰ পাৰি দিয়া।

(ঘ) গৰু ম'হৰ গোবৰ আৰু মূত্ৰৰে জুলীয়া সাৰ তৈয়াৰ কৰা।

৪। পানী সিঞ্চন—

(ক) চাৰিওফালে খাৰৈ দিয়া নাইবা আন বৈজ্ঞানিক সঁজুলি ব্যৱহাৰ কৰা।

(খ) খেতিলৈ পানী বোৱাবলৈ সাধাৰণ পানীৰ নলা খন্দা।

৫। বন গুচোৱা।

৬। ৰোগ আৰু পোকৰ পৰা গছপুলি ৰক্ষা কৰা—

(ক) হাতেৰে গছপুলিৰ পৰা পলুপোক গুচোৱা।

(খ) গছপুলিৰ বেমাৰী অংশ ছিঙি আনি পুৰি পেলোৱা।

৭। যাদু ঘৰৰ (Museum) কাৰণে নমুনা সংগ্ৰহ,—
বিভিন্ন প্ৰকাৰৰ মাটি, গুটি, ভূতত্ত্ব বিষয়ক নিদৰ্শন ইত্যাদি।

সৈদ্ধান্তিক—

১। নিৰীক্ষণ আৰু কৰা কামৰ বৰ্ণনা লিখা।

২। মাটিৰ অধ্যয়ন—

(ক) মাটিৰ উপাদান আৰু সিবোৰৰ গুণ। জৈব পদাৰ্থ (হিউমাচ) আৰু কেনেকৈ ই গঠিত হয়।

(খ) বিভিন্ন প্ৰকাৰৰ মাটি আৰু তাৰ নাম।

৩। বাগিচাৰ সঁজুলি বোৰৰ পৰ্য্যালোচন—
খুৰপি, কোৰ, জবকা ইত্যাদি। সিবোৰৰ আকৃতি, কাম আৰু উপযুক্ত ব্যৱহাৰ।

৪। সাৰ আৰু পচন সাৰ তৈয়াৰ কৰাৰ অধ্যয়ন। পচন সাৰৰ উপাদান, পেলনীয়া বস্তু কি দৰে খহি জহি যায় ইত্যাদি।

৫। পানী সিঞ্চন—

(ক) পানী বোৱাই অনাৰ সাধাৰণ প্ৰণালীৰ অধ্যয়ন।

(খ) সাধাৰণ পানী সিঞ্চন ব্যৱস্থাত বিভিন্ন প্ৰকাৰৰ মাটিত কি দৰে পানী শুহে তাৰ অধ্যয়ন।

৬। শস্যৰ অনিষ্টকাৰী পোক নিবাৰণ—

এবিধ সাধাৰণ পোক সম্বন্ধে অধ্যয়ন, তাৰ স্বভাৱ আদি আৰু ইয়াৰ প্ৰতিশেধক কি।

৭। গছ গছনি অধ্যয়ন—

অধিক বিস্তৃত ভাৱে তাৰ অংশবোৰৰ পৰ্য্যালোচন।

৮। যাদু ঘৰৰ (Museum) কাৰণে নমুনা ঠিক কৰা আৰু লেবেল লগোৱা।

পৰীক্ষা মূলক কাম—

বৰ্গৰ কোঠালিত কাপোৰ আৰু ব্লটিং কাগজত বিভিন্ন প্ৰকাৰৰ গুটি গজোৱা আৰু প্ৰথম গজোতে তাৰ গুৰি আৰু শিপা নিৰীক্ষণ কৰা।

—ষষ্ঠ বৰ্গ—

এই বৰ্গত হালৰ ব্যৱহাৰৰ কাৰণে আগতে চাহ কৰা মাটি দিব লাগিব।

ব্যৱহাৰিক—

১। ধান, সৰিয়হ, মৰাপাট, মটৰ, উৰহী আদি শস্যৰ খেতি।

(ক) সাৰ দিয়া।

(খ) নাঙল চলোৱা।

(গ) গুটি সিঁচা।

(ঘ) মাটিত পৰ পৰ ভিন্ন জাতীয় শস্য উৎপাদন আৰু বন গুচোৱা।

(ঙ) শস্য চপোৱা

(চ) মৰণা মৰা।

২। ৰোগ নিবাৰণ—কীটপতঙ্গ আৰু বেমাৰ আদি দমন কৰাৰ পদ্ধতিবোৰৰ অভ্যাস।

৩। এখন খেতি পথাৰ জৰীপ কৰা—পৰিকল্পনা কৰা আৰু বিভিন্ন ভাগ জোখা।

৪। গছৰ খেতি কৰা— গুটি, কলম আৰু লেয়াৰিং (layer-ing) কৰি গছৰ বংশ বৃদ্ধি কৰা।

৫। পশু পালন—

(ক) গৰুৰ গাখীৰ খীৰোৱা অভ্যাস কৰা।

(খ) দানা খুওৱা আৰু গোহালিত ৰখা।

৬। বিদ্যালয়ৰ যাদুঘৰৰ কাৰণে সামগ্ৰী গোটোৱা।

৭। শস্যৰ গুণ আৰু বৃদ্ধিৰ তেজ অনুসাৰে গছ-পুলি চিহ্নিত কৰা আৰু তাৰ পৰা গুটি সঞ্চয় কৰা।

সৈদ্ধান্তিক—

১। সকলো কামৰ বিবৰণ (ৰেকৰ্ড) লিখি ৰখা। বাগিচা আৰু মাটিৰ ভাগবোৰৰ নক্সা অঁকা।

২। আগলৈ এবছৰৰ কামৰ পৰিকল্পনা কৰা।

৩। মাটিৰ বিষয়ে অধ্যয়ন।

(ক) স্থানীয় মাটিৰ বিভিন্ন প্ৰকাৰ।

(খ) আলটীয়া, বালি, মৌলেনাৰ (Humus) স্বাভাৱিক লক্ষণ।

৪। নাঙল আৰু তাৰ বিভিন্ন ভাগ আৰু কামৰ বিষয়ে জ্ঞান

৫। তৃণ সাৰৰ অধ্যয়ন—
কেনেকৈ ই তৈয়াৰ হয় আৰু মাটিৰ ওপৰত ই কিদৰে কাম কৰে। (ওপৰত উল্লিখিত মৌলেনাৰ লগত সম্বন্ধ ৰাখি)

৬। সাৰ প্ৰয়োগ, গুটি সিঁচা, শস্য সংগ্ৰহৰ সময়ত মাটি জোখা আৰু কালি উলিওৱা।

৭। জীৱ জন্তুক দানা খুওৱা, গোহালিত ৰখা আৰু যত্ন লোৱাৰ সাধাৰণ নিয়ম।

৮ মুখ আৰু ভৰিৰ খুৰাৰ ৰোগ অধ্যয়ন।
কেনেকৈ ইয়াৰ বিস্তাৰ হয়, ইয়াৰ লক্ষণ, চিকিৎসা আৰু নিবাৰণৰ উপায়।

৯। সূক্ষ্মভাৱে গছ পুলিৰ অধ্যয়ন—
কীট-পতঙ্গ, বতাহ আদিৰ দ্বাৰা পৰাগ সংযোগ।

১০। উৎপাদন—বিভিন্ন প্ৰকাৰৰ গছপুলিৰ কাৰণে ব্যৱহাৰ কৰিবলগীয়া প্ৰণালীবোৰৰ অধ্যয়ন।

১১। কৃষি সম্বন্ধীয় পুস্তিকা আৰু পত্ৰিকা পঢ়া।

১২। বিদ্যালয়ৰ যাদুঘৰৰ বস্তুবোৰ সজোৱা আৰু তাত লেবেল লগোৱা।

পৰীক্ষা—

১। গছে মূল আৰু শিপাৰে কেনেকৈ পানী টানে তাক দেখোৱা। (পানীৰ লগত ৰঙা চিয়াহী মিহলাই)

২। গছ পুলিৰ ওপৰত পোহৰৰ প্ৰভাৱ দেখোৱা। (কিছুমান গছপুলি পোহৰত আৰু কিছুমান পোহৰ নপৰা ঠাইত ৰোপণ কৰি)

৩। শস্যাৱৰ্ত্তন (Rotation of crops) বিষয়ে পৰীক্ষা মূলক কাম সপ্তম আৰু অষ্টম বৰ্গত আৰম্ভ হব।

—সপ্তম বৰ্গ—

ব্যৱহাৰিক—

১। বহল ভাবে বাগিচাত শস্যৰ খেতি।

২। হাল বোৱা, দেশীয় হালৰ দ্বাৰা মাটি চাহ কৰা নিৰীক্ষণ। হাল খোলা আৰু জোতোৱা।

৩। মাটিৰ সাৰ সংৰক্ষণৰ বাবে পথাৰত শস্যৰ খেতি কৰা; যেনে, তৃণসাৰৰ (সেউজীয়া সাৰ) বাবে দ্বিদল (মাহ জাতীয়) শস্যৰ খেতি। (Logumes for green manure)

৪। এবিধত্তকৈ বেচি শস্যৰ উৎপাদন।

৫। সঁজুলিবোৰৰ সাৱধানতা আৰু সাধাৰণ মেৰামতি।

৬। ফল আৰু শাক পাচলি নষ্ট নোহোৱাকৈ ৰখা; — যেনে, শুকোৱা, লোণ সনা ইত্যাদি।

৭। ডেয়াৰীৰ কাম—

(ক) গাখীৰ খীৰোৱা আৰু গাখীৰ লোৱা-চোৱা কৰা পদ্ধতি।

(খ) গৰু ম'হৰ সাধাৰণ চিকিৎসা।

(গ) দানা খুওৱা আৰু গোহালিৰ ব্যৱস্থা।

৮। ফল ফুলৰ গছৰ আগ কটা, জেওৰাৰ কটা গছ আৰু সীমাৰ গছ-গছনিৰ আগ কটা।

৯। বিদ্যালয়ৰ যাদুঘৰৰ কাৰণে সামগ্ৰী সংগ্ৰহ কৰা।

১০। ষষ্ঠ বৰ্গত বাছি থোৱা গুটিৰ পৰা পৰীক্ষামূলক বাগিচা ভাগত গছ পুলি জন্মোৱা। ভাল গছ বাছি পুনৰ চিন দি ৰখা আৰু তাৰ পৰা গুটি সংগ্ৰহ কৰা।

সৈদ্ধান্তিক —

১। নক্সাৰে সৈতে কৰা কামৰ বিবৰণ।

২। অহা বছৰৰ কাৰণে কামৰ পৰিকল্পনা কৰা (আৱৰ্ত্তন আদি)।

৩। কৃষি কামৰ সাধাৰণ বিবৰণ (ৰেকৰ্ড) আৰু হিচাপ ৰখা।

৪। পথাৰৰ আৰু বাগিচাৰ প্ৰধান শস্যবোৰৰ বিস্তৃত ভাৱে অধ্যয়ন।

৫। পথাৰ আৰু বাগিচাত হোৱা শস্যৰ আৱৰ্ত্তন (rotation)

৬। পশু পালনৰ নীতি—
প্ৰধান স্থানীয় জাতিবোৰ আৰু সিবোৰৰ আৱশ্যকীয় বিশেষ লক্ষণবোৰ পৰ্য্যালোচনা কৰা।

৭। গছ গছনিৰ বিশেষকৈ তাৰ ফল আৰু গুটি আৰু গুটিৰ সদ্ব্যৱহাৰ বিষয়ে জ্ঞান।

৮। জৰীপ, বাগিচাৰ ভিন্ ভিন্ ভাগৰ পৰিকল্পনা আৰু জোখ।

৯। ফল, শাক-পাচলি নষ্ট নোহোৱাকৈ ৰখা। উদাহৰণ স্বৰূপে ৰ'দত শুকোৱা আৰু লোণ সনা ইত্যাদি।

১০। গৰু ম'হৰ সাধাৰণ ৰোগ আৰু তাৰ চিকিৎসা।

১১। কৃষি সম্বন্ধীয় পুস্তিকা আৰু পত্ৰিকা পঢ়া।

পৰীক্ষামূলক কাম—

বাগিচা আৰু পথাৰত তলত দিয়া বিষয় বোৰৰ পৰীক্ষা-মূলক কাম কৰিব লাগিব।

১। শস্যৰ আৱৰ্ত্তন।

২। কীট-পতঙ্গ আৰু কাঠফুলা নাশৰ ঔষধ প্ৰয়োগ।

৩। গুটি আৰু ফল সংৰক্ষণ।

—অষ্টম বৰ্গ—

ব্যৱহাৰিক—

১। উন্নত ধৰণে পথাৰৰ শস্য উৎপাদন কৰা—
হাল বোৱা, ডলি ভঙা, মৈ দিয়া, সাৰ দিয়া, গুটি সিঁচা, পানী সিঞ্চন, শস্য সংগ্ৰহ, নৰণা মৰা আৰু জাৰা।

২। হাট বজাৰৰ কাম; যেনে, শ্ৰেণী হিচাপে ভাগ কৰা, গাড়ীৰে নিবলৈ টোপোলা বা আঁটি বন্ধা, বিক্ৰী কৰা।

৩। গো পালনৰ কাম—

(ক) দানা খুওৱা।

(১) ঘন দানা—চাউলৰ মল, ভুচি, খলিহৈ, কপাহৰ গুটি, ডাইলৰ ভুচি, খলিজ বস্তু।

(২) পেলাই দিয়া বস্তু ভুঁহ, খেৰ, পিঁহ।

(খ) ঘৰৰ ব্যৱস্থা—ঘৰ পৰিষ্কাৰ কৰা।

(গ) গৰু ম'হৰ ৰোগ চিকিৎসা কৰা।

(ঘ) দৈনিক উৎপন্ন হোৱা গাখীৰৰ পৰা মাখন, ঘি আৰু দৈ তৈয়াৰ কৰা।

(ঙ) দৈনিক ব্যৱহাৰ কৰা বাচন-বৰ্ত্তন পৰিষ্কাৰ কৰা।

(চ) ঘাঁহ খুওৱা, চৰিবলৈ নিয়া।

৪। সপ্তম বৰ্গত বাছি থোৱা গুটি পৰীক্ষামূলক কাম চলোৱা বাগিচা ভাগত পচোৱা।

৫। উপৰোক্ত ভাগবোৰত হোৱা ভাল গছ পুলিবোৰ বাছি লৈ চিন দি ৰখা আৰু তাৰ পৰা গুটি সংগ্ৰহ কৰা।

সৈদ্ধান্তিক—

১। সৰু সৰু খেতি পথাৰ আৰু বাগিচাৰ বাবে ৰখা দৰে বিবৰণ আৰু হিচাব ৰখা।

২। আগলৈ এবছৰৰ বাবে পৰিকল্পনা।

৩। শস্য উৎপাদনৰ নিয়মিত সময়ৰ ক্ৰম—

শস্য সংগ্ৰহ, গৰু ম'হৰ পালন আৰু পেলনীয়া বস্তুৰ ব্যৱহাৰ ইত্যাদিৰ চক্ৰলৈ দৃষ্টি ৰাখি খেতি পথাৰ আৰু বাগিচাক পৰস্পৰ সম্পূৰক ভাৱে একক ৰূপে অধ্যয়ন কৰা।

৪। দুগ্ধ শিল্প -

(ক) গাখীৰৰ ব্যৱসায়।

(খ) গৰু ম'হৰ যত্ন আৰু উন্নতি সাধন।

(গ) গৰু ম'হৰ বংশ বৃদ্ধি সংক্ৰান্ত প্ৰাথমিক জ্ঞান।

(ঘ) উন্নত ধৰণৰ সাধাৰণ গোহালি-ঘৰ সজাৰ পৰিকল্পনা।

৫। ভাৰতৰ অন্যান্য অংশৰ আৰু পৃথিৱীৰ খেতি সম্বন্ধে অধ্যয়ন। খেতি কৰাৰ উন্নত প্ৰণালী ইত্যাদি।

৬. সমবায় কিনা বেচা সম্বন্ধে অধ্যয়ন।

৭। বতৰ আৰু জলবায়ুৰ অধ্যয়ন ইত্যাদি।

পৰীক্ষা মুলক কাম—

১। ভিন্ ভিন্ পৰিমাণৰ সাৰ প্ৰয়োগ কৰি গছ পুলি গজোৱা।

২। পানী সিঞ্চন—কিমানবাৰ আৰু কি পৰিমাণে পানী দিব লাগে।

৩। বাছি থোৱা গুটি গজোৱা আৰু ষষ্ঠ, সপ্তম, অষ্টম বৰ্গত তিনি বছৰৰ নিৰ্ব্বাচনৰ ফলাফলৰ অধ্যয়ন।

৪। শস্যাবৰ্ত্তন বিষয়ে পৰীক্ষা মূলক কাম চলাই থকা।

মাতৃ ভাষা

—প্ৰথম বৰ্গ—

১। স্পষ্টকৈ আৰু শুদ্ধকৈ উচ্চাৰণ কৰি পৰিষ্কাৰকৈ আৰু বাক্‌পটুভাৱে বিশুদ্ধ ভাষা কোৱা। এই অভিপ্ৰায়ে শিশুৰ যি কোনো পৰিচিত প্ৰসঙ্গ অৱলম্বন কৰিব পৰা যায়।

২। পৰীৰ গল্প, গাওঁলীয়া সাধুকথা, জীৱজন্তু আৰু প্ৰকৃতি সম্বন্ধীয় গল্প।

৩। অঙ্গিভঙ্গিৰে সৈতে সৰল কবিতাৰ আবৃত্তি।

৪। বিদ্যালয়ৰ নানা ৰকমৰ শিল্প কামৰ বিষয়ে লিখন আৰু পঢ়নৰ আৰম্ভণ।

—দ্বিতীয় বৰ্গ—

১। শিশুৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ ভিতৰৰ ঘটনাসমূহ সৰল আৰু শুদ্ধ ভাৱে বৰ্ণনা কৰা।

২। গল্প, আবৃত্তি আৰু ভাওনা কৰা।

৩। শিশুৰ পাৰিপাৰ্শ্বিক অৱস্থা সম্বন্ধীয় সহজ কিতাপ ডাঙ্গৰ ডাঙ্গৰকৈ পঢ়া। শব্দ জ্ঞান অধিক বৃদ্ধি হব লাগিব। নীৰৱে পঢ়া।

৪। সৰল বাক্য লিখা; শ্ৰুতলিপি লিখা।

—তৃতীয় বৰ্গ—

১। শিশুৰ পাৰিপাৰ্শ্বিক অৱস্থা সম্বন্ধীয় আৰু বুৰঞ্জী, জীৱনী, পৌৰাণিক কাহিনী বিষয়ে অধ্যয়ন।

শব্দ জ্ঞানৰ অধিক বৃদ্ধি। নীৰবে পঢ়া।

২। গল্প, আবৃত্তি আৰু নাট্যাভিনয়।

৩। নীৰবে পঢ়া কথা লিখি বৰ্ণনা কৰা। সহজ চিঠি লিখা আৰু শিল্প সম্বন্ধীয় কামৰ বিবৰণ লিখা। দৈনিক কামৰ দিনলিপি (ডায়েৰী) লিখা।

শ্ৰুতলিপি।

—চতুৰ্থ বৰ্গ—

১। বৈজ্ঞানিক নিৰীক্ষণ সম্পৰ্কীয় সহজ কিতাপ পঢ়া। শব্দজ্ঞানৰ অধিক বৃদ্ধি। নীৰবে পঢ়া।

২। আবৃত্তি আৰু নাট্যাভিনয়।

৩। নীৰবে পঢ়া কথা পুনৰ ই লিখি বৰ্ণনা কৰা। চিঠি লিখা আৰু শিল্প সম্বন্ধীয় কামৰ দিনলিপি আৰু মাহিলি ৰিপৰ্ট লিখা। শ্ৰুতলিপি।

—পঞ্চম বৰ্গ—

১। শিল্প, বৈজ্ঞানিক কথা আদিৰ বিষয়ে সহজ কিতাপ পঢ়া।

২। খবৰৰ কাকত আৰু শিশু পত্ৰিকা পঢ়া।

৩। আবৃত্তি আৰু নাট্যাভিনয়।

৪। অভিধানৰ ব্যৱহাৰ।

৫। বেহা বেপাৰ সম্বন্ধীয় চিঠি লিখা; মণিঅৰ্ডাৰ আৰু টেলিগ্ৰামৰ ফৰ্ম পূৰ্ণ কৰা; বিদ্যালয়ৰ কামৰ ৰিপৰ্ট লিখা চলি থাকিব। দৈনিক কামৰ বিবৃতি (দিনলিপি) আৰু মাহিলি ৰিপৰ্ট লিখা। শ্ৰুতলিপি।

৬. সাহিত্যৰ মোল বুজা বা ৰস জ্ঞান। শিক্ষকে গদ্য আৰু পদ্য সাহিত্যৰ পৰা উপযোগী অংশবোৰ নিৰ্ব্বাচন কৰিব।

৭। ব্যাকৰণৰ ব্যৱহাৰ।

৮। পুথি ভঁড়ালৰ ব্যৱহাৰ।

—ষষ্ঠ বৰ্গ—

১। সহজ সাহিত্য পঢ়া—সুপৰিচিত লিখকৰ গল্প, কবিতা আৰু ৰচনা।

২। আনুষঙ্গিক বিষয়বোৰৰ লগত সংশ্ৰৱ থকা কিতাপ পঢ়া।

৩। ব্যাকৰণৰ ব্যৱহাৰ।

৪। পুথি ভঁড়ালত থকা উল্লিখিত উপাদানবোৰৰ ব্যৱহাৰ।

৫। সমাচাৰ পত্ৰৰ খবৰৰ সংক্ষিপ্ত বিবৰণ লিখা।

৬। সাহিত্য সমিতি গঠন কৰা—
আবৃত্তি, নাটাভিনয়, দেৱাল পত্ৰিকা (Wall magazine), বিতৰ্ক সভা ইত্যাদি।

৭। দেৱাল পত্ৰিকালৈ খবৰ, ৰিপৰ্ট, গল্প, কবিতা আদি পঠোৱা।

৮। দিনলিপি আৰু মাহিলি ৰিপৰ্ট লিখা।

—সপ্তম বৰ্গ—

ষষ্ঠ বৰ্গত হোৱা বিষয় বোৰৰে সৈতে নিম্নলিখিত বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব :—

১। সামাজিক সুবিধাৰ কাৰণে চিঠি লিখা—যেনে, সম্পাদকলৈ, স্থানীয় সভালৈ।

২। কোনো বিশেষ অনুষ্ঠানত সংক্ষিপ্ত ভাষণ দিয়া।

৩। জাননী আৰু বিজ্ঞাপন তৈয়াৰ কৰা।

—অষ্টম বৰ্গ—

এই বৰ্গত সপ্তম বৰ্গত হোৱা বিষয়বোৰ উন্নত ধৰণে শিকাব লাগিব।

সমাজ বিজ্ঞান

—প্ৰথম বৰ্গ—

১। স্থানীয় ইতিবৃত্তি।

বিদ্যালয় থকা ঠাইখনৰ বিষয়ে কিছুমান গল্প, ঐতিহাসিক ধ্বংসাৱশেষ (যদি কিবা সেই ঠাইত আছে), ধৰ্ম্মস্থান ইত্যাদি।

২। আদিম কালৰ মানুহৰ বিষয়ে গল্প।

(ক) প্ৰস্তৰ যুগত বাসকৰা মানুহৰ কাল্পনিক কাহিনী।

(১) তেওঁৰ আশ্ৰয় স্থান—গহ্বৰ, গছ হ্ৰদ-নিবাস আদি।

(২) তেওঁৰ পোছাক আৰু প্ৰকৃতিৰ পৰা ৰক্ষা—গছৰ পাত, গছৰ বাকলি, জন্তুৰ ছাল আদি।

(৩) তেওঁৰ জীৱিকা—চিকাৰ, ভেড়া ৰখীয়াৰ ভ্ৰাম্যমান জীৱন, কৃষিৰ আৰম্ভ।

(৪) তেওঁৰ অস্ত্ৰাদি—কাঠ আৰু শিল।

(৫) আত্ম-প্ৰকাশৰ উপায়—কথাবাৰ্ত্তা আৰু ছবি অঁকা।

(৬) তেওঁৰ পাৰিবাৰিক জীৱন।

(খ) তাম্ৰ আৰু লোহযুগত বাসকৰা মানুহৰ কাল্পনিক কাহিনী।

(১) তেওঁৰ বাসস্থান—আদিম যুগৰ ঘৰ।

(২) তেওঁৰ পোছাক—উল, কপাহ আৰু পাট।

(৩) তেওঁৰ জীৱিকা—কৃষিৰ বৃদ্ধি।

(৪) তেওঁৰ অস্ত্ৰাদি—তাম, কাঁহ আৰু লো।

(৫) জুইৰ ব্যৱহাৰ।

(৬) তেওঁৰ আত্ম-প্ৰকাশৰ উপায়—কথোপকথন, লিখা আৰু ছবি আঁকা।

(৭) তেওঁৰ লগৰীয়া আৰু সহায়কাৰী—ঘোঁৰা, গৰু, কুকুৰ, আদি।

(৮) সামাজিক জীৱনৰ আৰম্ভণ।

টোকা—

উপৰোক্ত বিষয়বোৰ শিকাবৰ নিয়ম—গল্পৰ মাজেৰে আৰু ব্যৱহাৰিক কৰ্ম্মতৎপৰতাৰ মাজেৰে; যেনে, স্থানীয় যাদুঘৰ দেখা, গুহাত বাস কৰা মানুহৰ জীৱন বিষয়ে অভিনয়, গুহা আৰু অস্ত্ৰাদি নিৰ্ম্মাণ কৰা ইত্যাদি। যদি ওচৰতে কোনো ঐতিহাসিক স্থল আছে তেনেহলে সেইবোৰো দেখা উচিত।

৩। দূৰ দেশত বাস কৰা মানুহৰ জীৱন।

(ক) এই পৃথিৱীখন বিভিন্ন জল বায়ু, বহু বৰণৰ আৰু জাতিৰ মানুহেৰে বহু দেশ থকা এখন বিশাল ভূমি।

(খ) মৰুত বাস কৰা জীৱন—আৰবৰ মৰুভূমিত বাস কৰা বালকৰ কাহিনী।

(গ) জঙ্ঘলত বাসকৰা জীৱন— আফ্ৰিকাৰ জঙ্ঘলত বাসকৰা শিশুৰ কাহিনী।

(ঘ) বৰফত বাসকৰা জীৱন— এস্কিমো জাতিৰ শিশুৰ কাহিনী।

এই বৰ্ণিত আৰু ইয়াৰ পিচৰ বৰ্গতো দিয়া এই গল্পবোৰৰ উদ্দেশ্য হৈছে শিশু সকলক এই কথাটো অনুভৱ কৰাত সহায় কৰা যে মানুহে বিভিন্ন পাৰিপাৰ্শ্বিকতাৰ মাজত বাস কৰে আৰু সেই গতিকেই মানুহৰ খাদ্য, পোছাক-পৰিচ্ছদ, বাসস্থান আৰু জীৱন যাত্ৰাৰ পদ্ধতি ভিন্ন ভিন্ন হয়। শিক্ষকে চিত্ৰ, চাৰ্ট আৰু নক্সাৰ পূৰ্ণ ব্যৱহাৰ কৰিব আৰু শিশু সকলকো

ছবি আঁকিবলৈ, কাগজ, ডাঠ-বকলা, আৰু মাটিৰে, গছৰ পাত আৰু ডালৰ সহায়ত নিদৰ্শন তৈয়াৰ কৰিবলৈ উৎসাহিত কৰিব। পদ্ধতিটো হব নিৰীক্ষণ আৰু কাৰ্য্য তৎপৰতাৰ মাজেৰে জ্ঞান লাভ কৰোৱা। দৃষ্টিভঙ্গীটো হব—ব্যক্তিগত যাতে শিশুৱে গল্পৰ নায়কক নিজ বন্ধুৰ নিচিনা অনুভৱ কৰে। এই অংশৰ কাম আৰু মাতৃভাষা শিক্ষাৰ ভিতৰত ঘনিষ্ঠ সমন্বয় থাকিব লাগিব আৰু দুয়োটা বিষয়কে জোৰা লগাব লাগিব নাট্যাভিনয় আৰু গল্প কোৱাৰ মাজেৰে।

৪। নাগৰিক জীৱনৰ বাবে শিক্ষা।

(ক) শিশুৰ পঢ়াশালীয়া জীৱন :—

তলত দিয়া কথাবোৰৰ মনোভাৱ আৰু অভ্যাসৰ উৎকৰ্ষৰ ফলে লক্ষ্য ৰাখি উপযুক্ত কৰ্ত্তব্য সমাধানৰ মাজেৰে নাগৰিকতাৰ শিক্ষা দিব। যদিও এই বিষয়বোৰ প্ৰথম বৰ্গতেই—উল্লেখ কৰা হৈছে—য'ত আৰম্ভ মাত্ৰ হব লাগে—তথাপি এই বোৰ পিচৰ বৰ্গবোৰতো চলি থাকিব। কিয়নো মনোভাব আৰু অভ্যাসৰ গঢ় দিওঁতে দৰাচলতে বহু সময়ৰ আৱশ্যক হয়।

পৰিস্কাৰ পৰিচ্ছন্নতা আৰু স্বাস্থ্য বিধান—

(১) ব্যক্তিগত পৰিষ্কাৰ পৰিচ্ছন্নতা।

(২) বস্ত্ৰৰ পৰিষ্কাৰ পৰিচ্ছন্নতা।

(৩) পায়খানা আৰু প্ৰস্ৰাৱ কৰা ঠাইৰ উপযুক্ত ব্যৱহাৰ।

(৪) পেলনি যোৱা কাগজৰ পাঁচি আৰু আৱৰ্জ্জনা পেলোৱা পাত্ৰৰ উপযুক্ত ব্যৱহাৰ।

(৫) স্কুলৰ কোঠালি আৰু বাচন-বৰ্তন খোৱা যতন পৰিষ্কাৰ কৰি ৰখা।

(৬) বিদ্যালয়ৰ খোৱা পানীৰ তত্ত্বাৱধান আৰু উচিত ব্যৱহাৰ।

(৭) বাৰাণ্ডা আৰু চোতাল পৰিষ্কাৰকৈ ৰখা।

সামাজিক দায়িত্ব—

(১) শিক্ষক আৰু বিদ্যালয়ৰ লগৰীয়াৰ লগত পালে উপযুক্ত ভাবে সম্ভাষণ জনোৱা।

(২) শুদ্ধ ভাষা ব্যৱহাৰ কৰা।

(৩) ভদ্ৰভাৱে প্ৰশ্ন সোধা আৰু উত্তৰ দিয়া।

(৪) কথা কোৱাত আৰু অন্যান্য কামত নিজৰ পাল নপৰালৈকে অপেক্ষা কৰা

(৫) পৰস্পৰে বিশেষকৈ যিবিলাক সৰু সিবিলাকক সহায় কৰা।

শিল্পৰ কাম—

(১) শিল্পৰ সৰঞ্জাম আৰু আহিলা-পাতিৰ সৎ-ব্যৱহাৰ।

(২) অন্যৰ লগত সৰঞ্জাম আৰু আহিলা-পাতি সমানে ভগোৱা।

(৩) সমষ্টি হিচাপে কাম কৰা।

(৪) পাল নপৰালৈ অপেক্ষা কৰা।

(৫) পৰিষ্কাৰ কৰিহে বৰ্গৰ কোঠালি ত্যাগ কৰা আৰু কামৰ পিচত সৰঞ্জাম আৰু আহিলা-পাতি যথা নিয়মে শৃঙ্খলাভাবে ৰখা।

নিম্ন লিখিত গুণ ৰাশি খেলাৰ মাজেৰে আয়ত্ব কৰিব—

(১) লগৰীয়াক প্ৰতাৰণা আৰু প্ৰৱঞ্চনা কৰাৰ পৰা বিৰত থকা ; ন্যায়মতে খেলা ।

(২) দুৰ্ব্বলৰ ওপৰত সুযোগ লোৱাৰ পৰা বিৰত থকা : মহানুভৱতা ।

(৩) বিজয়ত কৈ সত্যবাদিতা শ্ৰেষ্ঠ বুলি ভবা ।

নিৰ্দ্দিষ্ট দায়িত্ব পালন কৰা—

ব্যক্তিগত হিচাপে বা সমষ্টিৰ এজন হিচাপে বিদ্যালয়ত প্ৰত্যেক শিশুৰ নিৰ্দ্দিষ্ট দায়িত্ব থাকিব লাগে । ৭ বছৰৰ পৰা ৯ বছৰ বয়সৰ লৰা ছোৱালীৰ কাৰণে নিম্নলিখিত দায়িত্বৰ নিৰ্দ্দেশ দিয়া যায় ।

(১) বৰ্গৰ কোঠালি পৰিস্কাৰ কৰা ।

(২) বিদ্যালয়ৰ কম্পাউণ্ড (চৌহদ) পৰিষ্কাৰ কৰা ।

(৩) বিদ্যালয়ৰ খোৱা পানীৰ যত্ন লোৱা ।

(৪) বিদ্যালয়ৰ যাদুঘৰৰ কাৰণে পাত, ফুল, শিল, পানী, গছৰ বাকলি, কাঠ আদি সংগ্ৰহ কৰা ।

(৫) উৎসৱৰ কাৰণে বিদ্যালয়ৰ ঘৰ সজোৱাত সহায় কৰা ।

(৬) গাৱঁবাসী আৰু বিদ্যালয়ৰ ছাত্ৰ সকলক আমোদ প্ৰমোদ দিয়া ।

(৭) নতুন ছাত্ৰক সহায় কৰা ।

(৮) জীৱ জন্তুৰ প্ৰতি মৰমিয়াল হোৱা আৰু যত্ন লোৱা ।

(খ) শিশুৰ ঘৰুৱা জীৱন—

(১) গৃহ এখন শৃঙ্খলাবদ্ধ সমাজ য'ত প্ৰত্যেক জনৰ নিজৰ নিজৰ দায়িত্ব আছে। ঘৰত পিতৃ মাতৃৰ স্থান। ভাই-ভনী অন্যান্য আত্মীয় কুটুম্বৰ স্থান। চাকৰৰ স্থান।

(২) পৰিবাৰ বৰ্গত শিশুৰ স্থান আৰু তাতকৈ বয়সত ডাঙৰ আৰু সৰুৰ প্ৰতি তাৰ দায়িত্ব।

(৩) ঘৰত শিশুৰ ওপৰত অৰ্পণ কৰা বিশেষ কাম উপযুক্ত ভাৱে কৰা।

—দ্বিতীয় বৰ্গ—

১। বৰ্ত্তমান কালত আদিমকলীয়া জীৱন। শিক্ষকে শিশু সকলক এই সত্য কথা বুজাব যে দহ হেজাৰ বছৰৰ আগলৈকে গোটেই পৃথিৱীত আদিম কালৰ অৱস্থাত বাসকৰা লোক আছিল। আজিও পৃথিৱীৰ কিছুমান অংশত তেনেভাবে বাস কৰা লোক আছে। শিক্ষকে ছাত্ৰক আফ্ৰিকা, অষ্ট্ৰেলিয়া, ভাৰতবৰ্ষৰ আদিম জাতিৰ সম্বন্ধে সহজ কথাবোৰ কব। লক্ষ্য কৰিব লগীয়া কথা এই যে শিক্ষকে এই পিচ পৰি থকা লোক সকলৰ প্ৰতি সহানুভূতিশীল হৈ শিশুৰ আগত বৰ্ণনা কৰিব আৰু শিশুৰ অন্তৰত ধাৰণা জন্মাব যে

সিবিলাকৰ উন্নতি আৱশ্যকীয়, বাঞ্ছনীয় আৰু সাধনক্ষম।

২। পুৰণি কালৰ মানুহৰ জীৱন--

কাল্পনিক গল্পৰ মাজেৰে পুৰণি কালৰ মানুহৰ জীৱন চিত্ৰিত কৰিব। যেনে --

(১) প্ৰাচীন মিছৰৰ শিশুৰ কাহিনী।

(২) মহেঞ্জোদাৰোৰ শিশুৰ কাহিনী।

(৩) প্ৰাচীন চীনৰ শিশুৰ কাহিনী।

(৪) বৈদিক ভাৰতৰ শিশুৰ কাহিনী।

(৫) প্ৰাচীন পাৰস্যৰ শিশুৰ কাহিনী।

(৬) প্ৰাচীন গ্ৰীচৰ শিশুৰ কাহিনী।

(৭) প্ৰাচীন ৰোমৰ শিশুৰ কাহিনী।

(৮) ভাৰতৰ মহাকাব্যৰ আৰু পৌৰাণিক গল্প।

(৯) কোৰাণ আৰু বাইবেলৰ তুলনা মূলক কাহিনী।

ব্যৱহাৰিক কাম—

(ক) কিছুমান ভাৰতীয় আদিম জাতিৰ মানুহৰ জীৱন আৰু বৈদিক ভাৰতৰ শিশুৰ জীৱনৰ কথা নাটকত অভিনিত কৰা। যিমান দূৰ কৰিব পৰা যায় পটবোৰ লগোৱা কামো নাটক অভিনয়ৰ ভিতৰত পৰিব।

(খ) সেই যুগৰ বাচন-বৰ্ত্তন, অস্ত্ৰ-শস্ত্ৰ, মাটিৰ চটা আদি তৈয়াৰ কৰা।

৩। দূৰ দেশৰ মানুহৰ জীৱন—
জাপানী শিশুৰ কাহিনী।
ছুইজাবলেণ্ডৰ শিশুৰ কাহিনী।
মেক্সিকোৰ শিশুৰ কাহিনী।

৪। নাগৰিক জীৱন শিক্ষা—
তলত দিয়া অনুসাৰে গাঁৱৰ জীৱন আৰু নগৰৰ জীৱন নিৰীক্ষণ।

(ক) কেনেকৈ গাঁওখনে খাদ্য, পানী, বস্ত্ৰ পায়।
(খ) কেনেকুৱা ঘৰত গাঁৱৰ মানুহে বাস কৰে।
(গ) কেনেকৈ বজাৰৰ পণ্যবস্তু গাঁৱবাসী আৰু নগৰবাসীৰ মাজত সাল-সলনি হয়।
(ঘ) ধৰ্ম্মস্থান (প্ৰাৰ্থনা ঘৰ) সমূহ।
(ঙ) মেলা, হাট, উৎসৱ আৰু অন্যান্য আমোদৰ স্থান।

ব্যৱহাৰিক নাগৰিক শিক্ষা—প্ৰথম বৰ্গৰ কামৰ অনুবৃত্তি।

—তৃতীয় বৰ্গ—

কাহিনী—

১। গল্প আৰু ব্যৱহাৰিক কামৰ মাজেৰে প্ৰাচীন ভাৰতীয়ৰ জীৱন—
(১) ডেৰিয়াচৰ দৰবাৰত ভাৰতীয় চিকিৎসকৰ গল্প।
(২) বুদ্ধৰ কাহিনী।

(৩) আলেকজেণ্ডাৰৰ কাহিনী।

(৪) মেগেস্থনিছৰ কাহিনী।

(৫) অশোকৰ কাহিনী।

(৬) বৰ্ম্মা, চিলন, যাভা আদি ঠাইত বৌদ্ধ-ধৰ্ম্ম প্ৰচাৰক সকলৰ কাহিনী।

(৭) কণিষ্কৰ কাহিনী।

(৮) সমূদ্ৰগুপ্তৰ কাহিনী।

(৯) বিক্ৰমাদিত্য আৰু তেওঁৰ দৰবাৰৰ কাহিনী।

(১০) হিউৱেনচাঙৰ কাহিনী। ভাস্কৰ বৰ্ম্মাৰ কাহিনী।

(১১) নালন্দা নাইবা তক্ষশিলা বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ কাহিনী।

(১২) দ্বিতীয় পুলোকেশীৰ কাহিনী।

(১৩) দ্বিতীয় ৰাজেন্দ্ৰ চোলা দেৱৰ কাহিনী।

ব্যৱহাৰিক কাম—

(১) ওপৰত উল্লেখ কৰা গল্প কিছুমানৰ নাটকত অভিনয় কৰা।

(২) মাটিৰে অশোক স্তম্ভ সজা।

(৩) পুতলা আৰু চিত্ৰ আদিৰে বিক্ৰমাদিত্যৰ দৰবাৰৰ প্ৰদৰ্শন।

২। তলত দিয়া ধৰণৰ গল্পৰ মাজেৰে দূৰদেশীয় মানুহৰ জীৱন—

(১) বৃটনৰ গাৱঁলীয়া শিশুৰ কাহিনী।

(২) নিউইয়ৰ্কৰ শিশুৰ কাহিনী।

(৩) নৰওৱেৰ শিশুৰ কাহিনী।

(৪) ৰুচিয়াৰ কলেক্টিভ ফাৰ্মৰ (যৌথ ফাৰ্ম কৃষি প্ৰতিষ্ঠানৰ) শিশুৰ কাহিনী।

এই কাহিনীবোৰ দিয়াৰ অৰ্থ হৈছে লৰা-ছোৱালী বিলাকক আমাৰ দেশতকৈ ভিন্ন ধৰণৰ পাশ্চাত্য প্ৰগতিশীল দেশৰ মানুহৰ জীৱনৰ অৱস্থাৰ লগত পৰিচিত কৰোৱা। তলৰ বৰ্গবোৰত দিয়া একে ধৰণৰ কাহিনীবোৰৰ দ্বাৰা এই খিনিতে মানৱতাৰ জৰিয়তে ভূগোলৰ পৰিচয় ঘটাব। লৰা-ছোৱালী বিলাকৰ মনত স্পষ্টকৈ আৰু বাস্তৱ ভাবে দাঙি ধৰাৰ উদ্দেশ্যে শিক্ষকে উপযুক্ত ছবি আদি সম্পূৰ্ণভাৱে কামত লগাব লাগে।

৩। (ক) ভূমণ্ডলৰ অধ্যয়ন—যাতে ঘটনাচক্ৰত প্ৰকাশ হয় যে পৃথিৱী ঘূৰণীয়া, ই ঘূৰি থাকে, ই সূৰ্য্যৰ চাৰিও ফালে ঘূৰে। এই গতিকে দিন, ৰাতি আৰু ঋতুৰ পৰিবৰ্ত্তন হয়। প্ৰধান প্ৰধান স্থল আৰু জল বিভাগবোৰৰ সম্বন্ধেও শিক্ষা দিব।

(খ) জিলাৰ অধ্যয়ন—(যদি সম্ভৱ হয় শিক্ষকৰ তত্ত্বাৱধানত জিলা ভ্ৰমণ) ইয়াৰ প্ৰাকৃতিক গঠন, জলবায়ু, শস্য, শিল্প, যাতায়াতৰ উপায়, ধৰ্ম্মস্থান, ঐতিহাসিক স্তম্ভ আদি।

ব্যক্তিগত নিৰীক্ষণ—সাধাৰণ বিবৰণ লিখি মনোৰঞ্জক স্থান পৰিদৰ্শন কৰা, স্থানীয় শিল্পীৰ সৈতে সংযোগ স্থাপন কৰা আদিয়ে হব শিক্ষাৰ নিয়মিত প্ৰণালী।

বৰ্গৰ কোঠালি, পঢ়াশালি, পঢ়াশালিৰ কম্পাউণ্ড আদিৰ নক্সা আঁকিবলৈ জনা ও ব্যৱহাৰিক কামৰ ভিতৰত পৰিব।

৪। নাগৰিক জীৱন শিক্ষা— গাঁৱলীয়া সমাজ সম্বন্ধে অধিক অধ্যয়ন।

(ক) গাওঁ আৰু তাৰ শাসন—গাঁৱলীয়া কৰ্ম্মচাৰী, গাঁৱলীয়া পঞ্চায়ত আৰু তাৰ কাম।

(খ) গাওঁৰ সুযোগ সুবিধা—হাট বজাৰ, চিকিৎসালয়, পোষ্ট অফিচ, বিদ্যালয়ৰ খেল-মাটি, গৰু ম'হৰ খোৰাৰ, আলি পদূলি, ওচৰৰ ৰেল ষ্টেছন।

(গ) গাঁৱলীয়া জীৱনৰ দুখ-কষ্ট বোৰ।

ব্যৱহাৰিক কাম—

(ক) বিদ্যালয়ৰ গাঁৱলীয়া পঞ্চায়তৰ আহিৰে পঞ্চায়ত গঠন।

(খ) সমাজ সেৱক দল গঠন—

(১) ৰাস্তা আৰু কুঁৱাৰ পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু ৰক্ষণাবেক্ষণ।

(২) ধ্বংসকাৰী প্ৰাণীৰ পৰা শস্য ৰক্ষা কৰা।

(৩) শিশু আৰু গাওঁৰ বয়সীয়াল লোকৰ কাৰণে আমোদ উৎসৱ আৰু খেলাৰ বন্দবস্ত কৰা।

(৪) জাতীয় আৰু ঋতু সম্বন্ধীয় উৎসৱত অংশ গ্ৰহণ কৰা।

(৫) দেৱাল-পত্ৰ, জাননী আদি তৈয়াৰ কৰা।

(৬) গাৱঁৰ মেলা আৰু উৎসৱ আদিত স্বেচ্ছাসেৱকৰ কাম কৰা।

—চতুৰ্থ বৰ্গ—

১। মুছলমানৰ আগমন আৰু ভাৰতত ভাৰতীয় মুছলমানৰ জীৱনৰ ক্ৰম বিকাশ।

ইয়াক তলত দিয়া অনুযায়ী গল্পৰ মাজেৰে বৰ্ণনা কৰিব পৰা যায়:—

(১) আৰবৰ বালকৰ কাহিনী।

(২) হজৰত মহম্মদৰ কাহিনী।

(৩) এচিয়া, আফ্রিকা আৰু ইউৰোপত ইছলামৰ বিস্তাৰ সম্বন্ধীয় কাহিনী।

(৪) আলবাৰুণী আৰু ইবন্‌বতুতাৰ কাহিনী।

(৫) কুতুবুদ্দিনৰ কাহিনী।

(৬) ৰেজিয়া বেগমৰ কাহিনী।

(৭) আলাউদ্দিন খিলিজিৰ কাহিনী।

(৮) ফিৰোজ টোগলকৰ কাহিনী।

(৯) কমতাপুৰ ধ্বংসৰ কাহিনী।

(১০) শঙ্কৰ মাধৱদেৱ, চৈতন্য, কবিৰ আৰু নানকৰ কাহিনী।

(১১) বাবৰৰ কাহিনী।

(১২) নৰনাৰায়ণ চিলাৰায়ৰ কাহিনী।

(১৩) হিন্দুৰ প্ৰতি কৰা ব্যৱহাৰৰ বিশেষ উল্লেখ ৰাখি আকবৰৰ কাহিনী।

(১৪) ৰাণী চান্দবিবিৰ কাহিনী।

(১৫) কলা আৰু ভাস্কৰ্য্য বিদ্যাৰ উৎকৰ্ষতা বিশেষকৈ উল্লেখ ৰাখি চাহজাহানৰ কাহিনী।

(১৬) শিৱাজীৰ কাহিনী।

(১৭) লাচিত বৰফুকনৰ কাহিনী।

(১৮) সাংস্কৃতিক ফলৰ ওপৰত জোৰ দি আৰু হিন্দু মুছলমান উভয়ে তাত সহযোগ কৰা দেখুৱাই মোগল দৰবাৰৰ জীৱন সম্বন্ধীয় কাহিনী।

(১৯) মোগল আৰু ৰাজপুত-চিত্ৰাঙ্কণ আৰু সেই যুগৰ অলঙ্কাৰ পাতি, সঙ্গীত, কবিতা আদিৰ বিষয়ে কাহিনী।

(২০) আমিৰ খুচৰু আৰু তানসেনৰ কাহিনী।

(২১) হিন্দু আৰু মুছলমানৰ একে ধৰণৰ জীৱন প্ৰণালী গঢ়ি উঠা সম্বন্ধে কাহিনী। খাদ্য, পোছাক, আমোদ উৎসৱ আদি।

(২২) দ্বিতীয় পেছোৱা বাজীৰাওৰ কাহিনী

ব্যৱহাৰিক কাম—

(১) আৰৰত মানুহৰ জীৱন নাটকত পৰিণত কৰা ইত্যাদি।

(২) ডাঙৰ ডাঙৰ ব্যক্তিৰ চিত্ৰ, ভাস্কৰ্য্য **শিল্পৰে** নিদৰ্শন কৰি ঐতিহাসিক এলবাম্ সজা।

(৩) দুৰ্গ আৰু পাহলা আদি তৈয়াৰ কৰা।

২। মানুহৰ ভৌগোলিক পৰিবেশ অধ্যয়ন :—

(ক) জিলাখনৰ কৃষি আৰু শিল্প বিষয়ক সম্পদ আৰু কামবোৰৰ সাধাৰণ জ্ঞান লাভৰ উদ্দেশ্যে ইয়াৰ অৰ্থনৈতিক আৰু শিল্প মূলক কাৰ্য্যাপ (তৃতীয় বৰ্গত কৰা কামৰ অনুবৃত্তি ৰূপে)।

হাতে কলমে কাম— জিলাখনৰ শিল্প বিষয়ক মানচিত্ৰ আঁকা। সহযোগমূলক জিলাখনৰ বিষয়ে সহায়কাৰী জ্ঞানৰ পুস্তিকা তৈয়াৰ কৰা।

(খ) প্ৰাকৃতিক বিভাগবোৰ, জলবায়ু, কৃষি, শিল্প, যাতায়তৰ পথ সমন্বিতে নিজ ৰাজ্যৰ ভূগোল।

হাতে কলমে কাম— ছাত্ৰৰ নিজৰ চেষ্টাত বোকাৰে এখন প্ৰদেশৰ বিলিফ্ মানচিত্ৰ তৈয়াৰ কৰিব লাগিব। মানচিত্ৰ, চাৰ্ট, পৰিকল্পনা আৰু নক্সা তৈয়াৰ **কৰা** শিক্ষাও দিব লাগিব।

(গ) মাৰ্কোপোলো, ভাস্কোডাগামা, কলম্বাচৰ পৃথিৱী অনুসন্ধানৰ কাহিনী।

(ঘ) পৃথিবীৰ প্ৰধান সমুদ্ৰ পথ—ভাৰতৰ পৰা দূৰ পূৰ্ব্বলৈ, ভাৰতৰ পৰা ইউৰোপলৈ, ভাৰতৰ পৰা

অষ্ট্ৰেলিয়ালৈ, ভাৰতৰ পৰা আৰব আৰু আফ্ৰিকালৈ, ইউৰোপৰ পৰা আমেৰিকালৈ।

নাগৰিক জীৱন শিক্ষা—

(ক) তলত লিখা অনুযায়ী সংগঠিত সমাজ হিচাবে নগৰৰ অধ্যয়ন।

(১) গাৱঁৰ লগত ইয়াৰ সম্বন্ধ—সিবোৰৰ পাৰস্পৰিক আত্মনিৰ্ভৰশীলতা আৰু গাৱঁৰ পৰা নগৰলৈ বাসস্থানৰ পৰিবৰ্ত্তনৰ স্পৃহা।

(২) নগৰৰ শাসন— মিউনিচিপালিটি, নাগৰিকৰ অধিকাৰ আৰু কৰ্ত্তব্য, কৰ-কাটল, পুলিচ, আদালত।

(৩) সমাজৰ সেৱামূলক ব্যৱস্থা—চিকিৎসালয়, শিশু-মঙ্গল কেন্দ্ৰ, পোষ্ট অফিচ, পানী যোগানৰ কাৰখানা, ৰাস্তা, আলোকিত কৰাৰ ব্যৱস্থা, ৰাস্তা, আৰু পায়খানা পৰিষ্কাৰ কৰাৰ ব্যৱস্থা।

(৪) প্ৰাৰ্থনা মন্দিৰ—সকলো বোৰ প্ৰাৰ্থনা মন্দিৰৰ প্ৰতি সন্মান দেখুওৱা।

(৫) আমোদপ্ৰমোদ—থিয়েটৰ, চলচ্চিত্ৰ, খেলাৰ ঠাই আখৰা।

(৬) শিক্ষাৰ কেন্দ্ৰবোৰ—বিশ্ববিদ্যালয়, কলেজ, স্কুল, পুথি ভঁৰাল আৰু পাঠাগাৰ, বয়সস্থ লোকৰ শিক্ষা কেন্দ্ৰ।

ব্যৱহাৰিক কাম—সম্ভৱ হলে শিক্ষকৰ তত্ত্বাৱধানত ওচৰৰ নগৰলৈ পৰিভ্ৰমণ কৰা (গাৱঁৰ শিশুৰ কাৰণে) ।

(খ) পাঠ কেন্দ্ৰত দৈনিক খবৰৰ কাগজ পাঠ কৰি বৰ্ত্তমান চলিত ঘটনা জনা । ভূগোলৰ পাঠত মানচিত্ৰত স্থান নিৰ্দ্দেশ আৰু মাতৃভাষাৰ প্ৰসঙ্গত বৰ্ত্তমান ঘটনা সমূহৰ আলোচনা কৰিলে অনেক বিষয় একেলগে আয়ত্ব কৰা সহজ হব । উদাহৰণ স্বৰূপ—বিদ্যালয়ৰ সভাত দিনৰ খবৰ প্ৰচাৰ কৰা আৰু সেই বিষয়ে সংক্ষিপ্ত বক্তৃতা দিয়া ।

(গ) ব্যৱহাৰিক সামাজিক কাম—নিম্নলিখিত কথা বোৰলৈ বিশেষ লক্ষ্য ৰাখি তৃতীয় বৰ্গৰ কামৰ অনুবৃত্তি :—

(১) বিদ্যালয়ত স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ অনুৰূপ ব্যৱস্থা ।

(২) সমাজ সেৱকদল সংগঠন কৰা ।

(৩) জাতীয়, ধৰ্ম্ম সম্বন্ধীয়, ঋতু সম্বন্ধীয় আদি উৎসৱ পালন কৰা ।

(৪) বাতৰি কাগজ পঢ়ুৱৈ মণ্ডল গঠন আৰু বৰ্ত্তমান চলিত বিষয়ৰ আলোচনা সভা ।

৩। মানব জাতিৰ কল্যাণকাৰী কাম ।

নাগৰিকৰ কাম—তৃতীয় বৰ্গৰ অনুৰূপ ।

—পঞ্চম বৰ্গ—

১। তলত লিখা অনুযায়ী গল্পৰ মাজেৰে বৃটিছ যুগৰ ভাৰতীয়

(ক) যীশু খ্ৰীষ্টৰ কাহিনী।

(খ) ইউৰোপত খ্ৰীষ্টিয়ান ধৰ্ম্ম প্ৰচাৰ দেখুৱাবলৈ খ্ৰীষ্টিয়ান সন্ন্যাসী সকলৰ কাহিনী।

(গ) ভাস্কোডাগামাৰ কাহিনী।

(ঘ) ওৱাৰেণ হেষ্টিংচৰ কাহিনী।

(ঙ) চিৰস্থায়ী বন্দবস্ত বুজাবলৈ (চিত্ৰ দাঙি ধৰিবলৈ) এজন জমিদাৰৰ কাহিনী।

(চ) ক্লাইভৰ কাহিনী।

(ছ) টিপু চুলতানৰ কাহিনী।

(জ) ৰণজিৎ সিংহৰ কাহিনী।

(ঝ) অসমত মানৰ আক্ৰমণৰ কাহিনী।

(ঞ) ৰজা ৰামমোহন ৰায়ৰ কাহিনী।

(ট) ৰেলপথ, টেলিগ্ৰাফ্ আদি আৰম্ভণ সংক্ৰান্ত কাহিনী।

(ঠ) ৰাণী লক্ষ্মীবাঈ, টাটীয়া টোপী আৰু ভক্ত বাহাদূৰৰ কাহিনী।

(ড) ৰাণী ভিক্টোৰীয়াৰ কাহিনী।

(ঢ) সুৰেন্দ্ৰ নাথ বেনাৰ্জ্জীৰ কাহিনী।

(ণ) গোখেলৰ কাহিনী।

(ত) তিলকৰ কাহিনী।

(থ) গান্ধীজীৰ কাহিনী।

(দ) আলিভাই ককাইৰ কাহিনী।

(ধ) ৰবীন্দ্ৰ ঠাকুৰৰ কাহিনী।

(ন) ভাৰতক সেৱা কৰা ডেভিদ হেয়াৰ, উইলিয়ম জোন্স্ আৰু চি, এফ্ এন্দ্ৰুজ আদি ইংৰাজ সকলৰ কাহিনী।

(প) সৰোজিনী নাইডুৰ কাহিনী।

(ফ) ভাৰত স্বাধীন হোৱাৰ কাহিনী।

ব্যৱহাৰিক কাম—

(১) ক্লাইভ আদিৰ কাহিনীক নাটকত পৰিণত কৰা।

(২) পলাশী যুদ্ধ, ৰেলওৱে ইঞ্জিনৰ নক্সা আঁকা।

(৩) ঐতিহাসিক এলবাম কামৰ অনুবৃত্তি।

২। মানুহৰ ভৌগোলিক পৰিবেশৰ অধ্যয়ন।

(ক) প্ৰাকৃতিক বিভাগ, ভৌগোলিক অবয়ব, জলবায়ু, যাতায়াতৰ উপায়, কৃষিজাত বস্তু, শিল্প, বাণিজ্য, জনসংখ্যা আৰু ৰাজনৈতিক বিভাগৰ উল্লেখ ৰাখি ভাৰতৰ ভূগোল শিক্ষা।

ব্যৱহাৰিক—ভাৰতৰ ভৌগোলিক বিভিন্ন বৈশিষ্ট্য দেখুৱাই মানচিত্ৰ, চাৰ্ট, নক্সা আদি তৈয়াৰ কৰা।

(খ) লিভিংষ্টোন, কুক, পিয়াৰী আদিক কেন্দ্ৰ কৰি পৃথিৱী আৱিষ্কাৰৰ কাহিনীৰ অনুবৃত্তি।

গৌৰীশঙ্কৰ শৃঙ্গলৈ অভিযান।

৩। নাগৰিক জীৱনৰ শিক্ষা—

(১) দল বান্ধি (সামূহিক ভাৱে) খবৰৰ কাগজ পাঠ। সংক্ষিপ্ত দৈনিক বাতৰি কাকত তৈয়াৰ কৰা।

(২) দৈনিক খবৰৰ মাজেৰে বৰ্ত্তমান চলিত ঘটনা সমূহৰ অধ্যয়ন।

(ভাষা শিক্ষাৰ লগত এই বিষয়ৰ সংযোগ থাকিব লাগিব।)

(ক) নিম্ন লিখিত বিষয়ে জিলাৰ অধ্যয়ন—

(১) জিলা আৰু লোকেলবোৰ্ড, সৰ্ব্ব সাধাৰণৰ হিতকৰ সুসংগঠিত শাসিত ব্যৱস্থাবোৰ—কৃষি, পানী সিঞ্চন, সমবায় প্ৰতিষ্ঠান, জন-স্বাস্থ্য মূলক ব্যৱস্থা, জন সাধাৰণৰ স্বাস্থ্য, ঔষধ আৰু শিক্ষা।

(২) শাসন—শাসন সম্বন্ধীয় বিভাগ, আইন আদালত আৰু পুলিচ বিভাগ।

(৩) সমাজ সেৱাৰ প্ৰতিষ্ঠানবোৰ।

(৪) আমোদ প্ৰমোদ আৰু জন সাধাৰণৰ শিক্ষাৰ ব্যৱস্থাবোৰ।

(খ) নাগৰিক শিক্ষা :—

চতুৰ্থ বৰ্গৰ অনুবৃত্তি।

৪। মনুষ্য সমাজৰ কল্যাণকাৰী কাম।

—ষষ্ঠ বৰ্গ—

১। প্ৰাচীন কালত আৰু মুছলমান ৰাজত্বৰ প্ৰথম ভাগত ভাৰতীয় সমাজৰ বিকাশ।

[মোগলৰ দিনলৈ]

(ক) নিম্নলিখিত বিষয় বোৰৰ ওপৰত বিশেষ জোৰ দি প্ৰাচীন কালৰ ভাৰতৰ বুৰঞ্জীৰ সময়ানুক্ৰমিক অধ্যয়ন।

[১] ভাৰতীয় জীৱন প্ৰণালীৰ উন্নয়ন। দৰ্শন, ধৰ্ম্ম, জাতি, পৰিবাৰ বৰ্গ, খাদ্য, পোচাক পৰিচ্ছদ, ভোজ আৰু ধৰ্ম্ম সম্বন্ধীয় উৎসৱ, সামাজিক ৰীতি-নীতি, তিৰোতাৰ স্থান, বিবাহৰ আইন আদি।

[২] ৰাজনৈতিক শাসন—

ভাৰতীয় সাধাৰণ গণতন্ত্ৰ, হিতৈষী স্বেচ্ছাচাৰী শাসন, ৰজাৰ ওপৰত বাধা, কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰৰ ভিতৰত সম্বন্ধ, সৈন্য বাহিনী, আইন পৰিষদ, সচীব মণ্ডলী আৰু বিচাৰালয়, এজন ৰজা আৰু তেওঁৰ ওচৰ-চুবুৰীয়া ৰজাৰ ভিতৰত সম্বন্ধ।

[৩] অৰ্থনৈতিক জীৱন—

মুদ্ৰা, জাতি আৰু কৰ্ম্ম বিভাগ, ব্যৱসায় আৰু তাৰ উদ্যোগ, সংসাৰ যাত্ৰা নিৰ্ব্বাহত তিৰোতাৰ স্থান। উত্তৰাধিকাৰ আইন, গাওঁ আৰু নগৰ, যাতায়াতৰ সুবিধা আৰু বহিৰ্বাণিজ্য।

[৪] সাংস্কৃতিক জীৱন—

শিক্ষা, সাহিত্য, চিত্ৰাঙ্কন বিদ্যা, সঙ্গীত, স্থাপত্য বিদ্যা।

[৫] বহিৰ্জ্জগতৰ লগত সম্বন্ধ আৰু তাৰ ফলাফল—

(খ) নিম্নলিখিত বিষয় বোৰত বিশেষ জোৰ দি মুছলমানৰ আগমনৰ পৰা মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা হোৱালৈকে সময়ানুক্ৰমিক অধ্যয়ন।

[১] যি দেশৰ পৰা মুছলমান বিজেতা সকল আহিছিল সেই দেশৰ সভ্যতা—ভাৰতত মুছলমান শক্তিৰ বিস্তাৰ।

[২] ৰাজনৈতিক আৰু শাসন প্ৰণালীৰ উন্নতি।

[৩] ধৰ্ম্ম সম্বন্ধীয় আন্দোলন—যাৰ ফলত হিন্দু মুছলমানৰ সংঘৰ্ষ হয়।

[৪] সামাজিক আৰু সাংস্কৃতিক জীৱন—

শিক্ষা, সাহিত্য, ভাষা, কলা, ভাস্কৰ্য্য, সঙ্গীত আৰু চিত্ৰাঙ্কন বিদ্যা।

ব্যৱহাৰিক কাম—

[১] সময় ৰেখা [line of time] প্ৰস্তুত কৰা।

[২] বেলেগ বেলেগ সাম্ৰাজ্যৰ উত্থান আৰু পতন। [মানচিত্ৰ আৰু সময় ৰেখাৰ জৰিয়তে শিক্ষা]

[৩] বৃহত্তৰ ভাৰতৰ শিক্ষা। [মানচিত্ৰৰ জৰিয়তে]

[৪] ঐতিহাসিক এলবামৰ অনুবৃত্তি।

[৫] অনুশাসন আৰু মুদ্ৰা প্ৰভৃতি তৈয়াৰ কৰা।

২। ভূগোলব প্ৰাকৃতিক তথ্যবোৰ—

গ্ৰহ হিচাপে পৃথিৱী [বিস্তৃত ভাৱে], ভূ-গঠন, উত্তাপ আৰু বৃষ্টিপাত, মহাসাগৰ, পৃথিৱীৰ বিভিন্ন ভাগত গছ-গছনি আৰু প্ৰণালীৰ বিস্তাৰ।

হাতে কলমে কাম—

[১] ঋতু পৰিবৰ্ত্তন আদি দেখুৱাবলৈ নিদৰ্শন [মডেল] তৈয়াৰ কৰা।

[২] চাৰ্ট তৈয়াৰ কৰা [জোৱাৰ ভাটা আদি প্ৰদৰ্শন কৰি]

[৩] গছ-গছনি প্ৰাণী আদি প্ৰদৰ্শন কৰি পৃথিৱীৰ মানচিত্ৰ আঁকা।

৩। নাগৰিক জীৱনৰ শিক্ষা—

ব্যৱহাৰিক কাম— ছাত্ৰ সকলে ব্যৱহাৰিক পৰীক্ষাৰ কাৰণে শিক্ষকৰ তত্ত্বাৱধানত গাৱঁৰ ধৰ্ম্ম সম্বন্ধীয়, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক জীৱন পৰ্য্যালোচন কৰিব। ১২ বছৰৰ পৰা ১৪ বছৰলৈ বয়সীয়াল ছাত্ৰসকলে সমাজ-সেৱক দল গঠন কৰি বয়সস্থ লোকৰ সহায়ত গাৱঁৰ উন্নতিৰ হকে যথাসাধ্য কৰ্ম্ম তৎপৰ হব।

[১] অঞ্চলৰ জন সাধাৰণৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ প্ৰয়োজন সম্পৰ্কিত ধাৰাবাহিক অধ্যয়ন।

[২] গাৱঁৰ ঘৰবাৰী, ৰাস্তা কুঁৱা আদিৰ পৰিষ্কাৰ পৰিচ্ছন্নতা সম্বন্ধে সজাগ দৃষ্টি ৰখা আৰু খোৱা

পানীৰ বিশুদ্ধতাৰ, পথ ঘাটৰ উন্নতিৰ অৰ্থে সচেষ্ট হোৱা।

[৩] মাখি, উৰহ, মেলেৰীয়া মহ আৰু অন্যান্য অনিষ্টকৰ পোকৰ পৰা আত্মৰক্ষা।

[৪] স্বাস্থ্য আৰু স্বাস্থ্যৰক্ষাৰ উপায় সম্বন্ধে জন সাধাৰণৰ মাজত বক্তৃতাৰ ব্যৱস্থা।

[৫] সংক্ৰামক ৰোগৰ প্ৰতিষেধক সম্বন্ধে জ্ঞান প্ৰচাৰ আৰু প্ৰাথমিক সাহায্য কেন্দ্ৰ প্ৰতিষ্ঠা।

[৬] গাৱঁত বয়সস্থ লোকৰ শিক্ষাৰ ব্যৱস্থা— গল্প, কবিতা, খবৰৰ কাগজ পাঠ, কীৰ্ত্তনৰ কথা, জনপ্ৰিয় বক্তৃতা, কেনেকৈ লিখিব পঢ়িব লাগে তাৰ শিক্ষাৰ ব্যৱস্থা কৰা।

[৭] বন, উপবন আৰু অন্যান্য প্ৰাকৃতিক সৌন্দৰ্য্যৰ স্থান সংৰক্ষণ। পুৰণি মচজিদ, মন্দিৰ আৰু অন্যান্য ঐতিহাসিক স্থান সমূহৰ সংৰক্ষণ।

[৮] গাৱঁৰ সামাজিক অন্যায় আৰু অন্যান্য প্ৰৱঞ্চনাৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য।

[৯] গাৱঁৰ বয়সীয়াল লোকসকলৰ কাৰণে শিল্প শিক্ষা কেন্দ্ৰৰ পৰিচালনা।

[১০] জাতীয় আৰু সামাজিক উৎসৱ অনুষ্ঠান, গাৱঁৰ শিশু আৰু বয়সস্থ লোকৰ কাৰণে খেল ধেমালিৰ বন্দবস্ত।

৪। মানব জাতিৰ হিতকাৰী সকল।

—সপ্তম বৰ্গ—

১। মোগল ৰাজত্বৰ পৰা বৰ্তমানলৈ ভাৰতীয় সমাজৰ ক্ৰম-বিকাশ—

(ক) নিম্নলিখিত বিষয়বোৰৰ ওপৰত বিশেষ ভাৱে জোৰ দি প্ৰথম পাণিপথৰ যুদ্ধৰ পৰা তৃতীয় পাণিপথৰ যুদ্ধলৈ ভাৰত বুৰঞ্জীৰ ঘটনানুক্ৰমিক অধ্যয়ন।

[১] ভাৰতত মোগল সাম্ৰাজ্যৰ বিস্তাৰ।

[২] ৰাজনৈতিক আৰু শাসন পদ্ধতিৰ ক্ৰমবিকাশ।

[৩] ভাৰতীয় ভাষাৰ ক্ৰমবিকাশ।

[৪] হিন্দু মুছলমানৰ মিশ্ৰিত সংস্কৃতিৰ বিকাশ। শিক্ষা, দৰ্শন, সঙ্গীত, ভাস্কৰ্য্য, চিত্ৰাঙ্কন, গাৱঁৰ হিন্দু মুছলমানৰ সামাজিক আৰু অৰ্থনৈতিক জীৱন।

[৫] অৰ্থনৈতিক জীৱন—সামন্ত তন্ত্ৰ, কুটীৰ শিল্প, অৰ্থ বিতৰণ, উত্তৰাধিকাৰ আইন, যাতায়াতৰ উপায়, তিৰোতাৰ স্থান, অন্তৰ্বাণিজ্য আৰু বহিৰ্বাণিজ্য ইত্যাদি।

(খ) তলত লিখা বিষয় বোৰৰ ওপৰত বিশেষ জোৰ দি তৃতীয় পাণিপথৰ যুদ্ধৰ পৰা বৰ্তমান সময়লৈ ভাৰত বুৰঞ্জীৰ সময়ানুক্ৰমিক অধ্যয়ন।

[১] ভাৰতত বৃটিছ শক্তিৰ অভ্যুদয়।

[২] ইংৰাজীক ৰাষ্ট্ৰভাষা কৰি ভাৰতত ইংৰাজী শিক্ষাৰ বিস্তাৰ। পাশ্চাত্য বিজ্ঞান আৰু ভাৱ-

ধাৰাৰ প্ৰচলন, দৃষ্টিভঙ্গী আৰু পোছাক পৰিচ্ছদৰ পৰিবৰ্ত্তন ইত্যাদি। ভাৰতীয় ভাষা আৰু সাহিত্য বোৰৰ উন্নতি।

[৩] ভাৰতীয় জীৱনত যন্ত্ৰৰ প্ৰৱৰ্ত্তন—
যাতায়াতৰ পথ আদি, কলা আৰু হস্ত শিল্পবোৰ।

[৪] শাসন প্ৰণালীৰ উন্নতি।

(গ) জাতীয় আন্দোলনৰ জন্ম আৰু প্ৰসাৰ। পূৰ্ণ স্বাধীনতা লাভ কৰালৈকে স্বায়ত্ব শাসনৰ ক্ৰমশঃ প্ৰসাৰ।

ব্যৱহাৰিক কাম—

[১] মোগল আৰু বৃটিছ সাম্ৰাজ্যৰ উত্থান আৰু পতন—চিত্ৰ আৰু সময় ৰেখাৰ জৰিয়তে।

[২] ঐতিহাসিক এল্‌বামৰ অনুবৃত্তি।

[৩] চিত্ৰ আৰু সময় ৰেখাৰ সহায়েৰে মুছলমান আৰু ইংৰাজৰ শাসন প্ৰণালী অধ্যয়ন।

[৪] যুদ্ধ আদিৰ নক্সা অঙ্ক।

২। ভূগোলৰ অৰ্থবিজ্ঞান সম্বন্ধীয় তথ্য।

(ক) পৃথিৱীৰ অৰ্থনৈতিক ভূগোলৰ প্ৰাথমিক জ্ঞান।

(খ) গম, ধান, কপাহ, পশম, কাঠ, তেল, কয়লা আৰু লো আদি পণ্যবস্তুৰ উৎপাদন আৰু বিতৰণ বিষয়ে বিশেষ উল্লেখ ৰাখি পৃথিৱীৰ মুখ্য অঞ্চলবোৰৰ ভূগোলৰ মূল কথাবোৰ।

হাতে কলমে কাম :—

মানচিত্ৰ আৰু চিত্ৰ তৈয়াৰ কৰা।

৩। নাগৰিক জীৱন শিক্ষা—

নিম্নলিখিত বিশেষ উদ্দেশ্যবোৰ সংযোগ কৰি ষষ্ঠ বগ ত কৰা কৰ্ম্ম আঁচনিৰ অনুবৃত্তি।

[১] স্বীকৃত সত্য বুদ্ধিৰে সৈতে সংগ্ৰহৰ কাৰণে পুস্তক, খবৰৰ কাগজ, সাময়িক আলোচনী আদিৰ ব্যৱহাৰ।

[২] পুস্তকালয় আৰু পাঠ-গৃহৰ ব্যৱহাৰ।

[৩] জন সাধাৰণৰ মাজত বক্তৃতাৰ অভ্যাস।

তৰ্ক সভা আৰু আলোচনা সভাৰ সংগঠন

[৪] বয়সীয়াল লোক আৰু বয়সীয়াল লোক সমষ্টিৰ লগত সংযোগ স্থাপন বিষয়ে শিক্ষা।

[৫] দৈনিক খবৰৰ কাগজত দিয়া খবৰৰ সমালোচনা মূলক পৰ্য্যালোচন আৰু গুৰুত্ব নিৰূপণ।

—অষ্টম বৰ্গ—

১। আধুনিক ভাৰতীয় জীৱনৰ প্ৰধান সমস্যাবোৰ—

(ক) সামাজিক ঃ—

[১] মহাত্মাগান্ধীৰ গঠনমূলক কৰ্ম্ম আঁচনি।

[২] সমাজ সংস্কাৰৰ আন্দোলন।

[৩] অস্পৃশ্যতা বৰ্জ্জন আৰু হৰিজন আন্দোলন।

(খ) অৰ্থনৈতিক ঃ—

গাৱঁলীয়া ঋণ গ্ৰস্ততা হেতু দাৰিদ্ৰ্য সমস্যা। কুটীৰ শিল্পৰ অৱনতি, কৃষিৰ আদিমযুগীয়া প্ৰণালী। সংসাৰ যাত্ৰাৰ ব্যয়ৰ উচ্চ হাৰ আদি আৰু সেইবোৰৰ প্ৰতিৰোধৰ উপায় কি।

(গ) শিক্ষামূলক আৰু সংস্কৃতি মূলক।

নিৰক্ষৰতাৰ সমস্যা, বাধ্যতামূলক শিক্ষা আৰু বয়সস্থ লোকৰ শিক্ষা, জাতীয় শিক্ষাৰ উন্নয়ন, ভাষাৰ সংখ্যা বাহুল্য আৰু হিন্দী ভাষাৰ গুৰুত্ব।

২। আধুনিক জগত অধ্যয়ন—

(ক) আধুনিক জীৱনত বিজ্ঞানৰ স্থান ঃ—

বৈজ্ঞানিক আৱিস্কাৰৰ বলত মানুহে কি ভাৱে প্ৰাকৃতিক শক্তিক আয়ত্ব কৰিছে আৰু আমাৰ জীৱনৰ ওপৰত তাৰ প্ৰতিক্ৰিয়া।

[১] দ্ৰুতগামী যন্ত্ৰৰ উন্নতি—ৰেলগাড়ী, মটৰ, জাহাজ, উৰা জাহাজ। এই বিষয়ে বৰ্ত্তমান সময়ত ভাৰতৰ অৱস্থা।

[২] দ্ৰুত খবৰৰ আদান প্ৰদান—ছপাখানা [প্ৰেছ] টেলিফোন, টেলিগ্ৰাফ্, বেতাৰ যন্ত্ৰ, টেলিভিসন। বৰ্ত্তমান সময়ত ভাৰতৰ স্থান।

[৩] শিল্পত বিজ্ঞানৰ ব্যৱহাৰ—শিল্প বিপ্লৱ, ইয়াৰ সুদূৰ প্ৰচাৰী ফলাফল। ভাৰতত শিল্প বিপ্লৱ।

[৪] কৃষিত বিজ্ঞানৰ ব্যৱহাৰ আৰু উৎপাদন বৃদ্ধি। বৰ্ত্তমান ভাৰতত কৃষিৰ অৱস্থা।

[৫] দৈনন্দিন জীৱনত বিজ্ঞান—খাদ্য, বস্ত্ৰ, আলোক, গৃহনিৰ্ম্মাণ আৰু স্বাস্থ্য ব্যৱস্থা।

[৬] বিজ্ঞান আৰু আধুনিক যুদ্ধ—শক্তিৰ অপব্যৱহাৰ, আনৱিক বোমা। (আধুনিক বুৰঞ্জীৰ এই ফালটো সাধাৰণ বিজ্ঞানৰ কামৰে সৈতে ঘনিষ্ঠ ভাৱে সমন্বিত হোৱা উচিত)

(খ) বৰ্ত্তমান জগতৰ শিল্প-সভ্যতা আৰু সাম্ৰাজ্যবাদ:—

[১] পাশ্চাত্য দেশবোৰত শিল্পতন্ত্ৰ, ধনতন্ত্ৰ আৰু শিল্প সম্বন্ধীয় সভ্যতাৰ প্ৰচাৰ।

[২] শৈল্পিক সভ্যতা হেতু সাম্ৰাজ্যবাদৰ উদ্ভৱ। শিল্প প্ৰধান পাশ্চাত্য জাতি আৰু জাপানৰ দ্বাৰা এচিয়া আৰু আফ্ৰিকাৰ জাতি সমূহৰ শোষণ।

[৩] বিশ্ব যুদ্ধ (১৯১৪-১৮) ইয়াৰ সাধাৰণ ফলাফল আৰু ভাৰতৰ ওপৰত ইয়াৰ প্ৰতিক্ৰিয়া।

[৪] ধনতন্ত্ৰ আৰু সাম্ৰাজ্যবাদৰ প্ৰতিক্ৰিয়া হিচাপে সমাজতন্ত্ৰবাদৰ বিশ্বশক্তি ৰূপে অভ্যুদয়।

[৫] গ্ৰেট বৃটেনত সমাজতন্ত্ৰবাদ আৰু সোভিয়েত ৰুচিয়াৰ সাম্যবাদ।

(গ) আধুনিক জগতৰ গণতন্ত্ৰ।

[১] গণতন্ত্ৰৰ অৰ্থ।

[২] প্ৰাচীন আৰু মধ্যযুগত ভাৰতত গণতান্ত্ৰিক অনুষ্ঠান আৰু সমাজ।

[৩] মাৰ্কিণ প্ৰজাতন্ত্ৰৰ কাহিনী।

[৪] ফৰাচী বিপ্লৱৰ কাহিনী।

[৫] ইউৰোপত গণতন্ত্ৰ দমনৰ কাহিনী। দ্বিতীয় বিশ্ব-যুদ্ধ আৰু তাৰ ফলাফল।

[৬] ভাৰত ধৰ্ম নিৰপেক্ষ গণতান্ত্ৰিক চৰকাৰ ৰূপে প্ৰতিষ্ঠা, কথা—ইয়াৰ নিহিত উদ্দেশ্য।

(ঘ) বৰ্ত্তমান জগতৰ যুদ্ধ আৰু শান্তিৰ সমস্যা।

[১] বৰ্ত্তমান আন্তৰ্জাতিক পৰিস্থিতি আৰু তাৰ সঙ্কটৰ বিষয়ে মোটামুটি জ্ঞান।

[২] আন্তৰ্জাতিক ন্যায় আৰু শান্তিৰ বাবে কাম কৰি থকা প্ৰতিষ্ঠানবোৰ।

[ক] জাতিসংঘ আৰু ইয়াৰ সহকাৰী প্ৰতিষ্ঠানবোৰ।

[খ] গান্ধীজীৰ অৱদান—অহিংসা, সত্যাগ্ৰহ।

[৩] বিশ্ব নাগৰিকতাৰ সাধন—বিশ্ব শান্তিৰ কাৰণে মই কি কৰিব পাৰোঁ।

টোকা—

আধুনিক জগতৰ ফালে উপযুক্ত ভাৱে সজাগ কৰিবলৈ এই বিষয়বোৰৰ লৈতে ছাত্ৰ সকলক মোটামুটি ভাৱে পৰিচিত আৰু পৰিজ্ঞাত কৰিব।

হাতে কলমে শিক্ষা—

মান চিত্ৰ, সময় ৰেখা, ঐতিহাসিক এল্‌বাম, নক্সা।

৩। আঞ্চলিক ভূগোল—

(ক) দেশবোৰৰ প্ৰাকৃতিক অঞ্চলবোৰ য'ত কৃষি সম্পদ প্ৰচুৰ আছে আৰু এতিয়াও উচ্চ ধৰণে শিল্পৰ প্ৰসাৰ হোৱা নাই আৰু সেই গতিকেই ভাৰতৰ লগত সেই অঞ্চলবোৰৰ সাদৃশ্য আছে। উদাহৰণ স্বৰূপে—চীন, আফ্ৰিকা, অষ্ট্ৰেলীয়া।

(খ) ভাৰতৰ লগত অৰ্থনৈতিক সম্বন্ধ থকা দেশবোৰৰ অৰ্থনৈতিক ভূগোল।

(গ) শিল্প কেন্দ্ৰিক সভ্যতাত উন্নতি কৰা দেশ সমূহ — যেনে, বৃটেন, আমেৰিকা, ৰুচিয়া আদি।

ব্যৱহাৰিক কাম—

মানচিত্ৰ, চাৰ্ট আদি তৈয়াৰ কৰা।

৪। নাগৰিক জীৱন শিক্ষা—

(১) যি ঠাইত বিদ্যালয় স্থাপিত হয় সেই গাওঁ বা নগৰৰ শাসনৰ লগত সমন্বিত কৰি প্ৰাদেশিক শাসন আৰু কেন্দ্ৰীয় শাসন সম্বন্ধে জ্ঞান লাভ কৰা ।

(২) ব্যক্তিৰ অধিকাৰ আৰু নিজ ৰাজ্য আৰু কেন্দ্ৰৰ প্ৰতি তাৰ কৰ্ত্তব্য ।

(৩) গণতন্ত্ৰত সৰ্ব্ব সাধাৰণৰ মঙ্গলৰ অৰ্থে ব্যক্তিগত দায়িত্ব । নাটক আৰু চাৰ্টৰ সহায়েৰে আলোচ্য বিষয়বোৰ শিকাব ।

(৪) পূৰ্ব্ববৰ্ত্তী বৰ্গবোৰত হোৱা কামৰ অনুবৃত্তি ।

গণিত

—প্ৰথম বৰ্গ—

১। ১ ৰ পৰা ১০০ লৈ গণনা ।

২। সৰল যোগ আৰু বিয়োগ ।

যোগ দুটা সংখ্যাতকৈ বেচি সংখ্যাৰ হব নালাগে । একক সংখ্যাৰ পৰা শিশু সকলক আগ বঢ়াই নিবলৈ

আৱশ্যক নকৰে। এই ৰকমে যোগ কৰা ফল ৯ ৰ ওপৰলৈ যাব নালাগে।

৩। বিয়োগ দহ সংখ্যাৰ ভিত্তিৰ ওপৰত হব।

৪। স্থূল বস্তুৰ সহায়েৰে গণনা, যোগ, বিয়োগ আৰম্ভ কৰিব লাগে।

৫। পিছত শিল্প সম্বন্ধীয় সহজ উদাহৰণেৰে মনে মনে গণনা কৰিবলৈ শিশু সকলক উৎসাহিত কৰিব লাগে।

লিখা সংখ্যা ১০০ পৰ্য্যন্ত।

৬। টকা, পইচা, ওজন, জোখ সম্বন্ধে শিক্ষা দিবলৈ আৰম্ভ কৰিব, যিহেতু শিল্প কামৰ সম্বন্ধত ইয়াৰ আৱশ্যকতা অনিবাৰ্য্য।

৭। সৰল জ্যামিতিক আকৃতিৰে সৈতে পৰিচয়, গোটা বস্তুৰ নক্সা, সমতল, ৰেখা আৰু বিন্দুৰ বিশ্লেষণ।

—দ্বিতীয় বৰ্গ—

১। তিনিটা সংখ্যালৈ অৰ্থাৎ ৯৯৯ পৰ্য্যন্ত গণনা।

২। দুটা বা তিনিটা সংখ্যা বিশিষ্ট ৰাশিৰ যোগ বিয়োগ।

৩। পাঁচৰ ভাগলৈ পূৰণ নেওতা। যোগৰ প্ৰণালীৰে পূৰণ নেওতা শিকাব। সৰল, পূৰণ আৰু হৰণ।

৪। টকাৰ আৰ্য্যা।

৫। ওজনৰ আৰ্য্যা।

৬। সময়ৰ আৰ্য্যা। (ঘড়ীৰ ব্যৱহাৰ কৰি)

৭। জোখৰ নেওতা।

৮। বুনিয়াদী শিল্পৰ সজুঁলিবোৰৰ আকৃতিৰ পৰিচয়। বাগিচা আৰু কৃষিৰ কামত মাটিৰ আকৃতিৰ পৰিচয় কৰাব।

আয়ত ক্ষেত্ৰ, চতুৰ্ভুজ, বৰ্গক্ষেত্ৰ, বহু-ভুজ, বৃত্ত আৰু ইয়াৰ অংশবোৰৰ জ্ঞান।

—তৃতীয় বৰ্গ—

১। কঠিন ধৰণৰ যোগ বিয়োগৰ পূৰ্ব্বানুবৃত্তি।

২। দহ ভাগলৈ পূৰণ নেওতা।

৩। টকা, ওজন আৰু জোখৰ লঘূকৰণ নেওতা।

(তলৰ অৱস্থালৈ অনা)

৪। ঐকিক নিয়ম।

৫। অঙ্ক সম্বন্ধীয় সঁজুলিৰ ব্যৱহাৰ। স্কেল টনা। আয়ত ক্ষেত্ৰ, বৰ্গক্ষেত্ৰ, ত্ৰিভুজ আৰু বৃত্ত অঁকা।

—চতুৰ্থ বৰ্গ—

১। দুই ভাগৰ পৰা ১১ ভাগলৈ আৰু ১২ ভাগৰ পৰা ১৬ ভাগলৈ পূৰণ নেওতা।

২। জটিল পূৰণ আৰু হৰণ, গড় উলিওৱা।

৩। মিশ্ৰ যোগ বিয়োগ।

৪। $\frac{১}{৪}$, $\frac{১}{২}$, $\frac{৩}{৪}$ ভগ্নাংশৰ ধাৰণা।

৫। আয়ত ক্ষেত্ৰ, বৰ্গক্ষেত্ৰ আৰু ত্ৰিভুজ ক্ষেত্ৰৰ কালি।

৬। স্কেল ব্যৱহাৰ।

—পঞ্চম বৰ্গ—

১। পূৰণ আৰু হৰণ।

২। গড় উলিওৱা।

৩। শিল্প কামৰ হিচাপ ৰখা।

৪। প্ৰত্যেক দৈনিক সমস্যা সমাধানৰ আৰু সমানুপাতৰ ব্যৱহাৰ।

৫। সামান্য ভগ্নাংশৰ অনুবৃত্তি। সৰল সাঙ্কেতিক, ঐকিক আৰু সামান্য ভগ্নাংশ।

৬। দশমিকৰ আৰম্ভ।

৭। চিহ্নৰ ব্যৱহাৰ।

৮। স্কেল ব্যৱহাৰৰ অনুবৃত্তি।

—ষষ্ঠ বৰ্গ—

১। সমস্যাবোৰৰ অনুপাত আৰু সমানুপাতৰ বহল ব্যৱহাৰ। শতকৰা হিচাপ, লাভ আৰু ক্ষতি আদি।

২। সৰল চাৰি নিয়মত দশমিকৰ ব্যৱহাৰ।

৩। দশমিকক ভগ্নাংশত পৰিণত কৰা আৰু ভগ্নাংশক দশমিকত পৰিণত কৰা।

৪। হিচাপ ৰক্ষণ—শিল্প বস্তু আৰু ঘৰৰ হিচাপ।

৫। গণিত বিষয়ক ৰেখা চিত্ৰৰ (গ্ৰাফ্) ব্যৱহাৰ।

৬। সৰল বীজগণিতৰ সূত্ৰ (Formula) তৈয়াৰ কৰা আৰু ব্যৱহাৰ কৰা।

৭। সহজ নিয়ম চাৰিটা বুজাবলৈ সাধাৰণ সমিকৰণ জড়ি থকা সহজ সমস্যাবোৰ।

৮। পৰিচিত স্থূল বস্তু সমূহৰ গণনা—অৰ্থাৎ ঘনফল নিৰ্ণয়।

—সপ্তম বৰ্গ—

১। আগৰ কামৰ পুনৰাবৃত্তি।

২। বৰ্গমূল।

৩। গ্ৰাফ্ৰ উন্নত ব্যৱহাৰ।

৪। সম চতুৰ্ভুজ আৰু বহু-ভুজ ক্ষেত্ৰ তৈয়াৰ কৰা।

—অষ্টম বৰ্গ—

প্ৰত্যেক দৈনন্দিন জীৱনৰ কামবোৰৰ জটিল সমস্যাৰে সৈতে পুনৰাবৃত্তি।

সাধাৰণ বিজ্ঞান

প্ৰথম বৰ্গৰ পৰা তৃতীয় বৰ্গলৈ। শিশুৰ অভিজ্ঞতা আৰু বুনিয়াদী শিল্পৰ লগত সাধাৰণ বিজ্ঞান সমন্বিত হব। কোন বিশেষ ঘটনাত কি বিশেষ আলোচ্য বিষয় অন্তৰ্ভুক্ত কৰিব শিক্ষকে তাক নিৰ্দ্ধাৰিত কৰিব।

তলত দিয়া মতে আলোচনাৰ বিষয় হব পাৰে।

১। আমাৰ চাৰিও ফালে থকা সজীৱ নিৰ্জ্জীৱ পদাৰ্থবোৰ-সিহঁতৰ জাতিগত বৈশিষ্ট্য।

২। বিভিন্ন প্ৰকাৰৰ জীৱন—গছ গছনি আৰু প্ৰাণী।

(ক) গছ গছনিৰ প্ৰকাৰ। ফুল থকা আৰু ফুল বিহীন গছ গছনি। ফুলা গছ গছনিৰ অংশ। কিদৰে গুটি সিচঁৰিত হয়। সিচঁৰিত হোৱাৰ প্ৰণালী, স্থানীয় শস্য আৰু কীট-পতঙ্গ। গুটি আৰু কিদৰে ই অঙ্কুৰিত হয়। গুটিৰ অংশ।

অঙ্কুৰিত কৰাবলৈ কেনেকুৱা গুটিৰ আৱশ্যক। দিন আৰু ৰাতি। অন্ধকাৰ ৰাতি আৰু জোনাক ৰাতি। নিৰ্ম্মল আকাশ আৰু মেঘাবৃত আকাশ।

(খ) মকৰা। মকৰাৰ গঠন।

(গ) সাধাৰণ বৰল——তাৰ জীৱন কাহিনী।

(ঘ) কীট-পতঙ্গৰ লক্ষণ।

(ঙ) গাৱঁলীয়া পুখুৰী, কীট-পতঙ্গ, উদ্ভিদ আৰু চৰাই।

(চ) পৰিষ্কাৰ পৰিচ্ছন্নতাৰ আৱশ্যকতা। প্ৰক্ষালন আৰু স্নান, দাঁত পৰিষ্কাৰ কৰা, পিন্ধা কাপোৰ পৰিষ্কাৰ কৰা, ঘৰ আৰু বিদ্যালয় পৰিষ্কাৰ কৰা, সূৰ্য্যৰ কিৰণ আৰু নিৰ্ম্মল বতাহ, উপযুক্ত নিদ্ৰা। থু পেলোৱা, হাঁচি মাৰা, কাহা।

—চতুৰ্থ বৰ্গ—

১। উদ্ভিদৰ অধ্যয়ন। উদ্ভিদৰ বিভিন্ন অংশ। গুটিৰ পৰা অঙ্কুৰোদ্গম। অঙ্কুৰোদ্গমৰ অৱস্থা। শিপা আৰু তাৰ কাম।

২। ফুলৰ অংশ। কিছুমান ফুলৰ জ্ঞান।

৩। কীট-পতঙ্গৰ জীৱন। পৰুৱাৰ জীৱন বুৰঞ্জী। মহ আৰু মকৰা। মহ আৰু মেলেৰীয়া। মেলেৰীয়া নিবাৰণৰ উপায়।

৪। বিষাক্ত আৰু অবিষাক্ত সাপ চিনা। সৰ্প দংশনৰ প্ৰাথমিক সাহায্যকাৰী প্ৰক্ৰিয়া।

৫। আমাৰ শৰীৰৰ গঠন ক্ৰিয়া। কিয় আমাৰ জঁকাৰ আৱশ্যক হয়। জঁকাৰ অংশ বোৰ। পোন ভাবে বহা আৰু থিয় হোৱাৰ উপকাৰিতা। মাংসপেশীৰ গঠন আৰু কেনেকৈ ই কাম কৰে। মাংসপেশীৰ প্ৰকাৰ। হাতেৰে কৰা কামৰ মূল্য। নিশ্বাস প্ৰশ্বাস আৰু তেজ চলাচল কৰা প্ৰণালী।

৬। গ্ৰহ আৰু প্ৰধান প্ৰধান নক্ষত্ৰপুঞ্জক চিনা।

—পঞ্চম আৰু ষষ্ঠ বৰ্গ—

১। জড় পদাৰ্থৰ তিনিটা অৱস্থা। গোটা, জুলীয়া আৰু বাষ্প। ইহঁতৰ অৱস্থাগত বৈশিষ্ট্য। গলোৱা আৰু উতলোৱাৰ পাৰ্থক্য। কি প্ৰকাৰে কিছুমান পদাৰ্থ উপকাৰী, নমনীয়, ধুমেৰে কোবাব পৰা কঠিন, দৃঢ় ইত্যাদি হয়।

২। ক'ৰ পৰা আমি তাপ পাওঁ, সূৰ্য্য, ঘৰ্ষণ. বিজুলী আদি, ৰেল লাইনৰ মাজত কিয় ফাঁক থাকে; গৰম হলে ধাতু কেনেকুৱা হয়, অন্যান্য পদাৰ্থৰ বিস্তাৰ, সজীৱ বস্তুৰ তাপ বৃদ্ধি হোৱাৰ প্ৰতিক্ৰিয়া, পাৰাৰ তাপমান যন্ত্ৰ।

অৱস্থাৰ পৰিবৰ্ত্তন—বাষ্প, বায়ু মণ্ডলত পানী, মেঘ, কুঁৱলি আৰু বৰষুণ।

৩। মিশ্ৰণ আৰু গলনৰ উদাহৰণ। ৰসায়নিক সংযোগ।

৪। জ্যোতিষ্ক মণ্ডল—সৌৰ জগত, গ্ৰহ নক্ষত্ৰ, ধূমকেতু।

ঋতু পৰিবৰ্ত্তন, প্ৰধান প্ৰধান নক্ষত্ৰৰ জ্ঞান, হাতীপটি।

৫। ভেকুলি আৰু পখিলাৰ জীৱন বুৰঞ্জী।

৬। মাছ, শামুক, গৰু আৰু কুকুৰৰ সাধাৰণ অপ্ৰাসঙ্গিক চৰিত্ৰ।

৭। খাদ্য—কেনেকৈ ই হজম হয়। হজম হোৱা খাদ্যৰ পৰিণতি কি। খাদ্যৰ পৰা শক্তি লাভ। নিয়মিত আহাৰ।

৮। বিখ্যাত বৈজ্ঞানিকৰ কাহিনী।

—সপ্তম আৰু অষ্টম বৰ্গ—

১। বতাহ আৰু পানীৰ প্ৰাকৃতিক গুণ। বস্তু পুৰিলে কি হয়। অম্লজান মিশ্ৰিত ধাতুত পৰিণত কৰা, ৰসায়নিক পদাৰ্থ।

মানৱ শৰীৰত অম্লজানৰ ব্যৱহাৰ। বতাহৰ ওপৰত তাপৰ ক্ৰিয়া। বায়ু সঞ্চালন, গোটা পদাৰ্থৰ ওপৰত তাপৰ ক্ৰিয়া। তাপৰ স্থানান্তৰ। কি দৰে সূৰ্য্যৰ তাপ আমাৰ ওপৰত পৰে, প্ৰভাযুক্ত তাপ, প্ৰতিবিম্বিত আৰু শোষিত প্ৰভাযুক্ত তাপ।

২। শক্তিৰ ৰূপান্তৰ। ঘড়ী আৰু দোলক।

৩। পোহৰৰ উৎপত্তি।

৪। মধ্যাকৰ্ষণ শক্তি। বাচ নাইবা নাও নিৰাপদ কৰা। নিৰাপত্তা আৰু ভাৰকেন্দ্ৰ।

৫। দিক-দৰ্শন যন্ত্ৰই কি দৰে কাম কৰে।

৬। ৰামধনু কি? তিনি সিৰীয়া গোটা কাঁচ। তিনি সিৰীয়া গোটা কাঁচ হিচাপে বৰষুণৰ কণিকা।

৭। সৌৰ জলক (তিনি সিৰীয়া কাঁচৰ দ্বাৰা পৃথক কৰি দেখুৱা নানা বৰণ)। কিয় বস্তুত ৰং লগোৱা হয়। ঘৰত আৰু বিদ্যালয়ত।

৮। বিজুলী, ঢেৰেকনি, বিজুলী আৰু তাৰ ব্যৱহাৰ। বৈদ্যুতিক সৰু কোঠা।

৯। টেঙ্গা, খাৰ আৰু লোণ। তাৰ ব্যৱহাৰ।

১০। স্নায়ৱিক দেহ। ছালৰ সহায়েৰে অনুভৱ। চকুৰে আৰু কাণেৰে অনুভৱ।

১১। বেমাৰৰ জীৱাণু আৰু তাৰ ক্রিয়া। শৰীৰে কি দৰে আত্ম ৰক্ষা কৰে। স্বাস্থ্য আৰু ৰোগ। স্বাস্থ্য আৰু সামূহিক চেষ্টাত ৰোগ দমন।

১২। আমাৰ পৃথিৱী খন। কেনেকৈ ই আৰম্ভ হয়। ইয়াৰ ক্রম-বিকাশৰ কাহিনী।

চিত্র কলা

ড্রইং আৰু পেইণ্টিং (ৰং দিয়া কাম)

কল্পনাৰ পৰা ড্রইং অঁকা—

শিশু সকলক সিহঁতৰ নিজ কল্পনা অনুযায়ী যি কোনো ছবি আঁকিবলৈ আৰু ৰং লগাবলৈ খটুৱাব পৰা যায়। সাধু কথা নাইবা পৰীৰ গল্প, পঢ়া পাঠৰ বিষয়ৰ নাইবা সিহঁতৰ চাৰিও ফালে থকা বস্তু।

ৰং—ৰাম ধনুৰ ৰং—বৰ্গৰ কোঠালিত যি যি ৰং দেখে শিশু সকলে যেন তাক চিনিব পাৰে আৰু নাম কব

পাৰে। সিহঁতক কাগজৰ ওপৰত নাইবা ইকৰাৰ ওপৰত বহু প্ৰকাৰ ৰঙেৰে ৰং লগাবলৈ দিব লাগে।

আদৰ্শ—(Modelling) বল আকৃতিত ভিত্তি কৰি সাধাৰণ বস্তু; প্ৰাণী, চৰাই আদি তৈয়াৰ কৰা।

কাগজ ভাজ লগোৱা আৰু কটা—ফুল পাঁচি আদি।

পৰিপাটি কাম—সুশৃঙ্খলপূৰ্ণ পৰিপাটি বিষয়ে শিশু সকলৰ লগত আলোচনা কৰা। সুশৃঙ্খল ভাবে বস্তুবোৰ ৰখা। যেনে, সিহঁতৰ ডেস্ক, কিতাপ পত্ৰ।

সৰঞ্জাম—খবৰৰ কাগজ, বাদামী বৰণৰ কাগজ, ৰঙ্গীন কাগজ, ৰং, ইটাৰ গুড়ি, বুৰুজ, নাইবা বুৰুজৰ কাম কৰিবলৈ মূৰত কাপোৰ বন্ধা এডাল বাহৰ শলা, ফলি, কেচি।

আঙুলিৰে লগোৱা ৰং নাইবা পোষ্টাৰ অঙ্কনৰ ৰং এঠা।

—দ্বিতীয় বৰ্গ—

কল্পনাৰ পৰা ড্ৰইং অঁকা—

শিশু সকলক সিহঁতে ভাল পোৱা যি কোনো খেল পথাৰৰ নাইবা ৰাস্তাৰ দৃশ্যত ৰং লগাবলৈ উৎসাহিত কৰিব পৰা যায়।

ৰং—ৰঙৰ জ্ঞান, ৰঙৰ মিল ঠিক কৰা আৰু মিহলি কৰা। পাতল আৰু ঘন ৰং।

আদৰ্শ—(Modelling) বল আকৃতিত ভিত্তি কৰি বস্তু তৈয়াৰ কৰা। বৰ্গক্ষেত্ৰ আৰু ত্ৰিভুজ ক্ষেত্ৰ—যেনে আপেল, বাকচ্ আৰু মন্দিৰ।

কাগজ ভাজ কৰা আৰু কটা—জেওৰা, কঠ আৰু চাৰিও ফাল কটা।

পৰিপাটি কাম—মেজ পাৰিবলৈ, ফুলেৰে সজাবলৈ শিশু সকলৰ সৈতে আলোচনা কৰা। পৰিষ্কাৰ পৰিচ্ছন্ন আৰু শৃঙ্খলাপূৰ্ণ হৈ, পোছাক পৰিচ্ছদ আৰু খেলাৰ সামগ্ৰী ঠিক ভাৱে ৰাখি মাতৃক সহায় কৰিবলৈ শিশু সকলক উৎসাহিত কৰা।

সৰঞ্জাম—আঙুলিৰে লগোৱা ৰং নাইবা পোষ্টাৰ ৰং, বগা আৰু বাদামী কাগজ, ৰঙীন কাগজ, নিজৰ ব্যৱহাৰৰ কাৰণে ছাত্ৰই নিজে তৈয়াৰ কৰা বুৰুজ, পেঞ্চিল, ৰঙা খড়িমাটি, বোকা নাইবা গঢ় দিব পৰা প্ৰলেপ (Plasticine)। কেচি, সূতা, ইকৰা।

—তৃতীয় বৰ্গ—

কল্পনা আৰু শ্ৰুতলিপিৰ পৰা ড্ৰইং অঁকা—

পাঠ্য পুস্তকৰ পাঠৰ আৰু গল্পৰ পৰা ড্ৰইং অঁকা বা ৰঙেৰে ছবি অঁকা। জ্যামিতিৰ চিত্ৰৰ সহায়ত বস্তুৰ ছবি অঁকা—যেনে বৃত্ত, বৰ্গক্ষেত্ৰ আৰু ত্ৰিভুজ।

ৰং—ৰঙৰ প্ৰকাৰ—যেনে, পাতল, মধ্যম আৰু ঘন।

আদৰ্শ—(Modelling) বোকাৰ ঘোলৰ দ্বাৰা পানীৰ পাত্ৰ নাইবা সাধাৰণ পাঁচি তৈয়াৰ কৰা।

কাগজ ভাজ কৰা আৰু কটা—পাঁচি, ঘৰ, কাগজৰ ভাজ।

পৰিপাটি কাম—ছাত্ৰ সকলৰ সৈতে গৃহ পৰিপাটি হিচাপে ৰাখিবলৈ আলোচনা কৰিব। প্ৰত্যেক বস্তুৰ সমাবেশৰ ঠাই গৃহ। প্ৰত্যেক বস্তু ব্যৱহাৰ নোহোৱা সময়ত ঠিক ঠাইত শৃঙ্খলা ভাৱে ৰাখিবলৈ শিশু সকলে শিকিব। কাগজ পত্ৰ পৰিপাটি হিচাপে ৰাখিবলৈ শিক্ষা--ঘোষণা বোৰ্ডত আৰু কোঠালিৰ বেৰত চিত্ৰ খুওৱা।

সৰঞ্জাম—দ্বিতীয় বৰ্গৰ অনুৰূপ।

—চতুৰ্থ বৰ্গ—

ড্ৰইং—ৰঙেৰে চিত্ৰ অঙ্কন—

বিদ্যালয়ৰ ভিতৰৰ আৰু বাহিৰৰ বস্তুৰ ড্ৰইং অঁকা, বৃত্ত, বৰ্গক্ষেত্ৰ, ত্ৰিভুজ, ঘূৰণীয়া ক্ষেত্ৰ, কণীৰ আকাৰৰ ওপৰত ভিত্তি কৰি শ্ৰুতলিপিৰ পৰা ড্ৰইং অঁকা।

ৰং—ৰঙৰ উপাদান, যেনে—বৰণ, মূল্য আৰু আতিশয্য।

আদৰ্শ— (Modelling) মানুহ, চৰাই, জন্তুৰ সমষ্টি হিচাপে ছবি অঁকা।

কাগজ ভাজ কৰা আৰু কটা—নাও, চৰাইৰ বাঁহ আদি ।

পৰিপাটি কাম—সকলো বস্তু পৰিপাটি হিচাপে ৰখা । যেনে—
বিদ্যালয়ৰ সামগ্ৰী, কাঁহীবাটি থোৱা যতন আৰু বাগিচাৰ সৰঞ্জাম আদি ।

সৰঞ্জাম—দ্বিতীয় বৰ্গৰ অনুৰূপ ।

—পঞ্চম বৰ্গ—

ড্ৰইং—ৰঙেৰে ছবি অঁকা—

শিশুৰ পৰিচিত সাধাৰণ বস্তু, চৰাই, জন্তুৰ একাষৰীয়াকৈ ছবি অঁকা (সিলুৱেট বুৰুজ ড্ৰইং)। শ্ৰুতলিপিৰ পৰা কোনো বস্তু বা দৃশ্যৰ ড্ৰইং ।

ৰং—এনোলোগস্ (Anol''gous)

আদৰ্শ—(Modelling) সাধাৰণ বস্তু, গছ আৰু পৰ্ব্বত ।

কাগজ ভাজ কৰা আৰু কটা—জ্যামিতিৰ আকৃতিৰ ওপৰত ভিত্তি কৰি ঘনক্ষেত্ৰৰ ঘূৰ্ণীয়া আৰু সাধাৰণ বস্তু তৈয়াৰ কৰা ।

পৰিপাটি কাম—অন্যান্য চিত্ৰকলা সম্বন্ধে শিশু সকলৰ সৈতে আলোচনা কৰা, যেনে— চেয়াৰ, কাঁহী, পানীৰ পাত্ৰ, পকী ঘৰ আৰু পাৰ্ক, ফুলদানী আৰু গৃহ সজোৱা ।

সৰঞ্জাম— বুৰুজ আৰু অন্যান্য সামগ্ৰী—দ্বিতীয় বৰ্গৰ অনুৰূপ ।

—ষষ্ঠ বৰ্গ—

ড্ৰইং—ৰঙেৰে ছবি আঁকা—

দৃশ্য বিহীন সাধাৰণ বস্তুৰ সমষ্টি হিচাপে ড্ৰইং আঁকা।
দ্ৰব্য আৰু দৃশ্যৰ ছবি। (শ্ৰুতলিপিৰ পৰা)

ৰং—পূৰা সংখ্যা। (Complements)

আদৰ্শ—(Modelling)' জীৱিত প্ৰাণীৰ ছবি আঁকা।

কাগজ ভাজ কৰা আৰু কটা—বৰ্গক্ষেত্ৰৰ. তিনি সিৰীয়া গোটা কাঁচ, বৰ্গক্ষেত্ৰাকাৰ পিৰামিড্ আৰু জ্যামিতিৰ চিত্ৰৰ আকাৰত ভিত্তি কৰি বস্তুৰ আকৃতি তৈয়াৰ কৰা।

পৰিপাটি কাম আৰু নিৰ্ব্বাচন—কোঠালিৰ কাৰণে ৰঙৰ স্কীম আৰু কোঠালিৰ সাজ সজ্জা কৰাৰ কাৰণে ছাত্ৰৰ সৈতে আলোচনা কৰা

সৰঞ্জাম—বুৰুজ, ·· পাছ আৰু অন্যান্য সামগ্ৰী দ্বিতীয় বৰ্গৰ অনুৰূপ।

—সপ্তম বৰ্গ—

ড্ৰইং—ৰঙেৰে ছবি আঁকা—

প্ৰাকৃতিক দৃশ্যৰ বাহিৰে আন দৃশ্যৰ আৰু সাধাৰণ বস্তুৰ ছবি।

ছাত্ৰৰ পাঠ্য কিতাপৰ পৰা পদ্য আৰু গীতৰ ছবি (শুনি শুনি)।

কাগজ ভাজ কৰা আৰু কটা—জ্যামিতিৰ চিত্ৰৰ সহায়েৰে গছ, স্তম্ভ, সাঁকো তৈয়াৰ কৰা ।

পৰিপাটি কাম আৰু নিৰ্ব্বাচন— ৰঙ, বয়ন শিল্প আৰু পোছাক, আমাৰ ব্যৱহাৰৰ গৃহ আৰু পাৰ্কৰ নিৰ্ব্বাচন আৰু ব্যৱস্থাৰ কাৰণে লৰা ছোৱালীৰ সৈতে আলোচনা কৰা ।

সৰঞ্জাম—ষষ্ঠ বৰ্গৰ অনুৰূপ ।

—অষ্টম বৰ্গ—

ড্ৰইং— ৰঙেৰে ছবি অঁকা—

দালানৰ ড্ৰইং আৰু দৃশ্য সম্বন্ধীয় গছ আৰু সাধাৰণ বস্তুৰ ছবি ।

শিশুৰ জনা শুনা সাধাৰণ বস্তুৰ ড্ৰইং অঁকা (শুনি শুনি)।

ৰং—তিনিটিৰ সমষ্টি । (Triads)

আদর্শ—(Modelling) দৃশ্য আৰু মানুহৰ ।

কাগজ ভাজ্ কৰা আৰু কটা—দৈনিক ব্যৱহাৰৰ সাধাৰণ বস্তু ।

পৰিপাটি কাম আৰু ডিজাইন কৰা—নিমন্ত্ৰণ চিঠিৰ কাৰ্ড আৰু বেৰ সজোৱা ।

সৰঞ্জাম—সপ্তম বৰ্গৰ অনুৰূপ ।

সঙ্গীত আৰু নৃত্য

—প্ৰথম বৰ্গ—

স্বাভাৱিক ছন্দ বিশিষ্ট সহজ আৰু সৰু সৰু গান সমবেত ভাৱে গোৱা । নিৰ্দ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে এক যোগে হাত তালি দিয়া আৰু তাল ৰখা ।

সৃজনাত্মক অভিব্যক্তি—

শিশুৰ অঙ্গী-ভঙ্গী আৰু চলন ফুৰণৰ স্বাভাৱিক অভি-ব্যক্তি ।

অন্যান্য কাজত গান আৰু তালেৰে সৈতে চলাচল কৰিবলৈ শিশু সকলক উৎসাহিত কৰা, যেনে—

(১) সমবেত খেলা ধুলা য'ত গানৰ ব্যৱহাৰ হয় । শিশু

সকলে এজনে আন জনৰ হাত ধৰি আবৃত্তি অথবা গানৰ তালে তালে বৃত্তাকাৰে ঘূৰা।

(২) সহজ গল্পক জনপ্ৰিয় গানৰ সহযোগত নাটকত পৰিণত কৰা।

—দ্বিতীয় আৰু তৃতীয় বৰ্গ—

আগৰ বৰ্গৰ নিচিনা সমবেত গান—কিন্তু গানবোৰ বয়সৰ উপযোগী হব লাগিব।

আগতে গোৱা গানবোৰ একক আৰু সমবেত ভাৱে গোৱা।

ভৰিত তাল ৰখা। সৰল নাচৰ তাল, কোনো মৌলিক হাতৰ অঙ্গী ভঙ্গী।

সঙ্গীতত পৰিবেশৰ অৱদান বুজিবলৈ পৰা– পৰিচিত শব্দ—যেনে, চৰাইৰ কিচিৰ মিচিৰ, বতাহৰ ছন ছন, বৰষুণৰ তাপাত ভুপুত।

গানৰ মনোভাৱ বুজিব পৰা—-বিলম্বিত গতি আৰু দ্ৰুত গতি, আনন্দ আৰু দুখ।

সৃজনাত্মক অভিব্যক্তি—পৰিচিত গল্প, কবিতা, ছবি বা ঘটনা বুজাবৰ কাৰণে গান বাছি বাহিৰ কৰা। শিক্ষকৰ দিয়া

নতুন গান বুজাবলৈ শিশু সকলৰ মুক্ত নাচ। মনোভাৱৰ ওপৰত জোৰ দিয়া।

—চতুৰ্থ আৰু পঞ্চম বৰ্গ—

সঙ্গীতৰ মৌলিক স্বৰ—

সা ৰে গা মা পা ধা নি সা কোনো বাদ্য-যন্ত্ৰত নিৰ্দ্দিষ্ট স্বৰ ধৰিব পৰা। (চিনিব পৰাই যথেষ্ট)

সহজ কণ্ঠ সাধন।

তালৰ উঠা-নমা।

বুজা আৰু অনুসৰণ কৰা।

লোক সঙ্গীত।

লোক নৃত্য—তাৰ লগত থাকিব সহজ অঙ্গী-ভঙ্গী, হাত তালি, নত হোৱা, ঘূৰা, তালে তালে লৰচৰ কৰা।

লোক নৃত্য—তাৰ লগত থাকিব দুই শাৰী হোৱা আৰু পিচত একত্ৰ হোৱা।

—ষষ্ঠ, সপ্তম আৰু অষ্টম বৰ্গ—

যন্ত্ৰ সঙ্গীতৰ আৰম্ভ—

নলৰ বাঁহী আৰু অন্যান্য সহজ বাদ্য যন্ত্ৰৰ সহায়েৰে সঙ্গীতৰ অভিজ্ঞতা।

তব্‌লাৰ বোল ঝঙ্কাৰ—তাৰ মাধুৰ্য্য উপলব্ধি কৰা। স্বৰ সাধনত হাতৰ তলুৱা আৰু আঙ্গুলিৰ কাম।

কণ্ঠ সঙ্গীতৰ আৰু অকলে গান গোৱাৰ অভ্যাস।

(অনুশীলন)

লাঠি, পানীৰ পাত্ৰ অথবা জুই লৈ লোক নৃত্য।

হিন্দী

যি হেতু হিন্দী ৰাষ্ট্ৰভাষা, চতুৰ্থ বৰ্গৰ পৰাই তাক ব্যৱহাৰ কৰা উচিত।

প্ৰথম বৰ্গৰ পৰা পঞ্চম বৰ্গ পৰ্য্যন্ত মাতৃভাষাৰ কাৰণে নিৰ্দ্ধাৰিত কৰা পাঠ্যক্ৰম সাধাৰণতে চতুৰ্থ বৰ্গৰ পৰা অষ্টম বৰ্গ পৰ্য্যন্ত অনুসৰণ কৰা উচিত।

যিবিলাকৰ মাতৃভাষা হিন্দী তেওঁলোকে উচ্চতৰ মানৰ পাঠ্যক্ৰম অনুসৰণ কৰিব পাৰে অথবা ব্যৱস্থা কৰিব পাৰিলে অন্য এটি ভাষা শিকিব পাৰে ।

অন্ত